

Dr. Bhaktimay Bhattacharyya (Left)



Dr. G.S. Borgohain (Right)



Dr. Jina Bhattacharyya (Left)



Dr. K. V. Ganpathy (Middle)

## Awardee of Pratishruti Cancer & Palliative Trust, Dibrugarh-2022


### ADVISORY BOARD

**Chief Advisor:**
Prof. Dr. Nagen Saikia
Patron : Prasanta Rajguru
Editor in Chief, Prag News

**Advisors:**
Mr. Prasanta Phukan (MLA)
Mr. Rituparna Baruah (MLA)
Mr. Amiya Hazarika
Dr. Dinesh Ch. Goswami
Dr. Amal Chandra Kataki
Dr. Santanu Kumar Sarma
Mr. Cheniram Borah

### EXECUTIVE COMMITTEE

**President:**
Pro. Alak Kumar Buragohain

**Vice President:**
Dr. Rina Ahmed
Mrs. Deepali Saikia
Dr. G. S. Borgohain
*(Convenor, Palliative Care)*

**Secretary:**
Miss Panna Bharali
M: 94354 76027

**Addl. Secretary and Honorary Programme Director**
Dr. Gayatri Gogoi

**Joint-Secretary:**
Dr. Gourangie Gogoi
Mr. Wazir Bin Qutub
Mr. Ratan Hazarika

**Treasurer:**
Mrs. Manjula Agarwal
M: 94351 31964

**Asst. Treasurer:**
Mr. Himmat Choudhury

**Executive Members**
Dr. Deepsikha Thengal
*(Nodal Officer, Palliative Care)*
Dr. Foujia S. Hakeem
Mr. Padum Poona Baruah
Mr. Debashis Puzari
Mrs. Dalimi Gogoi
Mrs. Ashmita Kalita
Mrs. Moushumi Borgohain Gogoi

**Nursing Team**
1. Mrs. Junu Chutia Dihingia
2. Mrs. Kobita Rajowar
3. Mrs. Sewali Baruah
4. Mrs. Makhani Bora

**General Members & Volunteers**
1. Mrs. Karabi Hazarika
2. Mrs. Musfi Rahman Hazarika
3. Mr. Simanta Phukan
4. Mrs. Munmi Phukan
5. Miss Sonia Roy
6. Mr. Vishal Kumar Sonar
8. Mrs. Dipika Dutta Bordoloi
9. Miss.Nafisa Zinnat Hakim

**Guwahati Support Team**
1. Mrs. Aditi Baruah
2. Mr. Ajoy Dutta
3. Ms. Himashree Devi
4. Mrs. Monmoromi Mahanta
5. Mr. Tarun Sonowal
6. Mrs. Roonjyoti Hazarika Bora
7. Mrs. Seema Devi Haque
8. Mr. Sandeep Kashyap
9. Miss. Pranami Sarmah
10. Mrs. Anjana Tamuli
11. Nawab Md. Siddique
12. Mrs. Shabina Yasmin
13. Mrs. Kunjalata Medhi

### DISTRICTWISE VOLUNTEERS

**Sivasagar :** Ahir Bhoirob, Utpala Baruah
**Golaghat :** Pranami Goswami
**Sonitpur :** Abhijit Singha Roy, Dr. Subhasankar Singha Roy, Aniruddha Das,
**Lakhimpur :** Priyanshi Dutta, Pranjit Dowarah, Darshana Sarmah

**Jorhat:** Ankur Saikia, Angelina Bordoloi,
**Tinsukia :** Pabitra Borgohain, Parikhit Barpujari,
**Dhemaji :** Labanya Lahan, Biju Bora Dutta, Jayashree Gogoi, Rewati Buragohain, Sewali Chetia, Memon Ahmed, Pintu Debnath, Tirtha Thakuri, Mantujit Dutta

**Morigaon :** Parag Jyoti Mahanta, Raktim Kumar Nath, Sarashree Chaudhury, Manika Deka, Kashmiri Devi
**Biswanath Chariali :** Arnob Borah.


**PRATISHRUTI HELPLINE NUMBERS**
**6001830079**
**6001688341**
**(From 9-00 AM to 7-00 PM)**

**OUR BANK ACCOUNT DETAILS**

**A/c Name : Pratishruti Cancer and Palliative Trust, Dibrugarh**
**Bank :** Punjab National Bank
**Branch :** Boiragimoth, Dibrugarh
**Account No :** 2042050000985
**IFSC :** PUNB0204220
**MICR Code :** 786024514


**Pratishruti Cancer And Palliative Trust,** Milan Nagar, J Bye Lane, Dibrugarh, Assam-786003
Registration :IN-ASO26420378287270, Facebook Page : https://www.facebook.com/pratishrutidibrugarh, Website : www.pratishruti.org





www.pratishruti.org

# Pratishruti

# প্ৰতিশ্ৰুতি

Newsletter মুখপত্ৰ

ষষ্ঠ বছৰ • প্ৰথম সংখ্যা • ডিচেম্বৰ - ২০২৩ Volume 5 • Issue 1 • December, 2023





‘প্ৰতিশ্ৰুতি’ৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানৰ এক মুহূৰ্তত বিশিষ্ট অতিথি, বঁটাপ্ৰাপকসকল আৰু আয়োজকসকল, গুৱাহাটীত ১১ ডিচেম্বৰত ।

## সম্পাদকীয়

### মহাজীৱনৰ সংযোগ

● ডাঃ গায়ত্ৰী গগৈ

(১)

জীৱনত যেতিয়া কিছু প্ৰকৃত শিক্ষক, পথ প্ৰদৰ্শক, সাহস প্ৰেৰণাৰে উদ্বুদ্ধ কৰা বন্ধু তথা-সহযোগী ব্যক্তিৰ সংযোজন ঘটে তেতিয়া জীৱন মহাসাগৰৰ বিশাল-চাকনৈয়াত নিজক হেৰুৱাই পেলোৱাৰ ভয় নেথাকে। কোনোবাই ঠিকেই কৈছিল My teacher gave me the best gift of all..... Believing in me। আত্মবিশ্বাস দিবপৰা মানুহৰ সংস্পৰ্শই জীৱনৰ আটাইতকৈ মূল্যবান সম্পদ হৈ ৰয় চিৰকাল। এই কথাষাৰ গভীৰভাৱে উপলব্ধি কৰিব পাৰিছো কিয়নো জীৱনৰ প্ৰতিটো সন্ধিক্ষণত এনে কিছু বিশাল হৃদয়ৰ অধিকাৰী, সৎ-মহৎ ব্যক্তিত্বৰ সংস্পৰ্শলৈ আহিছো যে তেখেতলোকৰ প্ৰভাৱে মচিব নোৱৰা সাঁচ বহুৱাইছে মোৰ সপোন, চিন্তা আৰু মোৰ কামত। মই মোক নতুনকৈ আৱিস্কাৰ কৰিবলৈ বা পৃথিৱীক নতুন দৃষ্টিভঙ্গীৰে চাবলৈ শিকাইছে। *(দহ পৃষ্ঠাত)*

## সন্তৰ সংগত সুবাসনা ঃ ‘প্ৰতিশ্ৰুতি’ সমাজ

● **পদুমপোনা বৰুৱা,** কাৰ্যনিৰ্বাহক সদস্য, ‘প্ৰতিশ্ৰুতি’

পৃথিৱীত বাস কৰা সকলো জীৱৰ ভিতৰত মানুহেই আটাইতকৈ বুদ্ধিমান, উচ্চ চিন্তাশক্তিসম্পন্ন জীৱ। যুগে যুগে মানুহে নিজৰ তীক্ষ্ণ বুদ্ধিমত্তাৰ জোৰত বহু মূল্যৱান উদ্ভাৱনেৰে জীয়াই থকাৰ মান উন্নত কৰিছে, জীয়াই থকাৰ প্ৰক্ৰিয়াটোক সহজ আৰু সুখময় কৰিছে। ইয়াৰ পাছতো কিন্তু *(ছয় পৃষ্ঠাত)*

## ‘প্ৰতিশ্ৰুতি’ৰ স’তে আজীৱন কাম কৰি যাম

● **বৰষাৰাণী বিষয়া**

**‘প্ৰতিশ্ৰুতি’ চেভ লাইভ ব্ৰেণ্ড এম্বেচাদৰ, অভিনেত্ৰী, অসম**



সমাজে অভিনেত্ৰী হিচাপে মোক বহু মৰম, আদৰ দিছে। তাৰ বিনিময়ত সমাজখনক কিবা এটা দিব পাৰিলে বৰ ভাল আছিল বুলি সদায়ে ভাবো। এইদৰে ভাবি থাকোতেই এদিন ‘প্ৰতিশ্ৰুতি’ৰ পৰা প্ৰস্তাৱ *(চাৰি পৃষ্ঠাত)*

## ষষ্ঠ বৰ্ষত ‘প্ৰতিশ্ৰুতি’

● **পান্না ভৰালী,** সম্পাদক, ‘প্ৰতিশ্ৰুতি’

জন্মলগ্নৰে পৰা আমি কেন্সাৰৰ সজাগতা, প্ৰাক-পৰীক্ষণ আদিৰ ওপৰত কাম কৰি আহিছোঁ। আমাৰ ছয় বছৰীয়া এই যাত্ৰাত আমাক বিভিন্ন ধৰণে সহায়-সহযোগিতা তথা পৰামৰ্শ আগবঢ়োৱা সকলোলৈ জ্ঞাপন কৰিছোঁ আন্তৰিক *(সাত পৃষ্ঠাত)*

## Message from President

### The Growing Burden of Cancer and Our Growing Responsibility

● *Prof. Alak Kr. Buragohain*
**Pratishruti Cancer & Palliative Trust**

According to a Global Cancer Observatory report published last year in the Lancet,19 million people were diagnosed with cancer worldwide, in the year 2020. Out of these, 10 million died. The projection is that by the year 2040, the global burden of cancer will rise to 30 million out of which 16 million will die. The statistics means that, by 2040 the total global cancer burden shall exceed the global capacity to handle this large number of cancer patients. Against this gloomy and alarming perspective, there is an urgent necessity to mount efforts to prevent cancer. This calls for massive awareness programs amongst the people about the early signs of cancer. The critical importance of early diagnosis means that the common people are made suffiently educated and sensitized about the early symptoms of various types of cancer. Along side this, it is also equally important that the suspected patients consult the doctor immediately. In a country as large and diverse as ours, this becomes a huge challenge. Social inequity with respect to education, income, access to the health care systems, ignorance about the Government schemes to **(Contd. Page 10)**

# 'প্ৰতিশ্ৰুতি'ৰ প্ৰগতি আৰু মানৱ সেৱাত স্বেচ্ছাসেৱকৰ অৱদান

● মৌচুমী বৰগোহাঁই গগৈ
● অস্মিতা কলিতা
কাৰ্যনিৰ্বাহক সদস্যা, 'প্ৰতিশ্ৰুতি'



'প্ৰতিশ্ৰুতি'ৰ হৈ হোম ভিজিট কৰাৰ এক মুহূৰ্তত ডাঃ দীনেশ চন্দ্ৰ গোস্বামী

এগৰাকী বয়সস্থ মহিলা যাৰ মুখত এডোখৰ ভয়লগা ঘাঁ। ঘাঁডোখৰ ইমান ডাঙৰ আৰু যন্ত্ৰণাদায়ক যে তেওঁৰ বাবে স্বাভাৱিকভাৱে খোৱা-বোৱা কৰাটোৱেই অসম্ভৱ হৈ পৰিছেগৈ। ইফালে মানুহগৰাকী চিকিৎসা কৰাবলৈও সন্মত নহয়। Biopsy কৰাৰ কথাতো ভাৱিবই নোৱাৰে। আনকি ৰোগটোৰ সম্পৰ্কেও ভালদৰে একো নাজানে।

এগৰাকী ২৩-২৪ বছৰীয়া মহিলা, ক'লন কেন্সাৰত ভুগি আছে। ইতিমধ্যে ২-৩ টি কেমোও ল'লে। ২টা কেমো শেষ হোৱাৰ পাছলৈকে নিজৰ ৰোগ সম্পৰ্কে একো গমেই নাপায়; আৰ্থিক অৱস্থা ইমানেই বেয়া যে ক'লন কেন্সাৰ ৰোগীয়ে অপাৰেশ্যনৰ পাছত ব্যৱহাৰ কৰিবলগীয়া ক'লষ্টমি বেগকেইটা কিনিবলৈও তেওঁলোকৰ সামৰ্থ নাই। দুটি সৰু সৰু ল'ৰা-ছোৱালীৰে সৈতে পৰিয়ালটোত ৰোগী আৰু ৰোগী গৰাকীৰ স্বামীৰ বাহিৰে কোনো নাই যি সৰু ল'ৰা-ছোৱালীকেইটাক চোৱা-চিতা কৰিব পাৰে।

ওপৰত উল্লেখিত দুয়োটা ঘটনা মাথোঁ দুটা উদাহৰণহে 'প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট' চমুকৈ 'প্ৰতিশ্ৰুতি'ৰ সৈতে জড়িত প্ৰত্যেকজন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই সততে মুখামুখি হোৱা কিছুমান প্ৰত্যাহ্বানৰ। কেৱল 'প্ৰতিশ্ৰুতি 'বুলিয়েই নহয় যিকোনো পেলিয়েটিভ কেয়াৰ বা উপশমী চিকিৎসাৰ লগত জড়িত অনুষ্ঠানৰ স্বেচ্ছাসেৱকসকলৰ বাবে এনে ধৰনৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাতো এটা অতি সাধাৰণ কথা। কৰ্কট শব্দটোৰ ভয়াৱহতা ইমানেই বেছি যে আমাৰ সমাজত যে এই ৰোগটোৰ সম্পৰ্কে কথা পাতিবলৈও কোনো সাজু নহয়। তদুপৰি এই ৰোগটোৰ লগত জড়িত বিভিন্ন ধৰণৰ অন্ধবিশ্বাস আৰু ভ্ৰমবোৰ আছেই; যিবিলাকে স্বেচ্ছাসেৱকসকলৰ প্ৰত্যাহ্বান আৰু বঢ়াই দিয়ে।

স্বেচ্ছাসেৱক শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Volunteer' ৰ সংজ্ঞা এইদৰে দিয়া দেখা যায়, A person who offers or agrees to do something without being forced or paid to do it' অৰ্থাৎ এজন ব্যক্তিয়ে যেতিয়া নিজৰ মনৰ তাগিদাত বা নিজৰ ইচ্ছামতে কোনো বিনিময় নিবিচৰাকৈ এক বিশেষ সেৱা বা কামত অগ্ৰসৰ হয়, তেওঁকেই স্বেচ্ছাসেৱক বা ভলন্টিয়াৰ বুলি কোৱা যায়। আজিকালি অৱশ্যে কিছুমান প্ৰতিষ্ঠানত একে নামেৰে কিছুমান দৰমহা বা বেতনযুক্ত পদো থকা দেখা যায়; কিন্তু এই লেখাত সেই বিশেষ পদসমূহৰ বিষয়ে ক'ব খোজা হোৱা নাই।

সকলো অনুষ্ঠানৰে স্বেচ্ছাসেৱকৰ দায়িত্ব নিঃসন্দেহে বেলেগ বেলেগ। 'প্ৰতিশ্ৰুতি' যিহেতু কেন্সাৰ ৰোগৰ লগত জড়িত এটা অনুষ্ঠান গতিকে ইয়াৰ স্বেচ্ছাসেৱকসকলক কৰ্কট ৰোগীসকলৰ লগত কাম কৰিব পৰাকৈ বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। সেই প্ৰশিক্ষণসমূহত ৰোগীৰ লগতে ৰোগীৰ পৰিয়াল তথা আত্মীয়সকলৰো ল'বলগীয়া যত্ন সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। লগতে ৰোগী তথা তেওঁৰ আত্মীয়সকলৰো মনোদৈহিক স্থিতি বুজি সেইমতে কাউন্সেলিং কৰা, 'end of the life care' সম্পৰ্কীয় প্ৰয়োজনীয় সকলো কথা তেওঁলোকক বুজাই এটা যন্ত্ৰণামুক্ত সন্মানীয় মৃত্যু (Painless Dignified Death) ৰ বাবে তেওঁলোকক প্ৰস্তুত কৰি তোলাকে আদি কৰি উপশমী চিকিৎসাৰ বিভিন্ন দিশসমূহৰ প্ৰশিক্ষণ দিয়া হয় যাতে সকলোৱে নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে কৰিব পাৰে। কৰ্কট ৰোগ তথা উপশমী চিকিৎসাৰ দৰে এটা স্পৰ্শকাতৰ বিষয়ৰ লগত জড়িত এটা অনুষ্ঠানৰ ক্ষেত্ৰত স্বেচ্ছাসেৱকসকলে যথেষ্ট সাৱধান হৈ কাম কৰিবলগা হয় যাতে কোনো কাৰণতে ৰোগী তথা ৰোগীৰ আত্মীয়সকলৰ আৱেগ-অনুভূতি তথা সন্মানত আঘাত নালাগে। ৰোগী তথা ৰোগীৰ পৰিয়ালৰ পৰিচয়, ফটো আদি যাতে তেওঁলোকৰ অনুমতি অবিহনে কোনো কাৰণতে ক'তো প্ৰকাশ কৰা নহয়, তেওঁলোকক ৰোগটোৰ সম্পৰ্কে কোনো ভুল তথ্য দিয়া নহয় বা মিছা আশা দিয়া নহয় এনেবোৰ কথাৰ প্ৰতি বিশেষ লক্ষ্য ৰখাটো উপশমী চিকিৎসাৰ স্বেচ্ছাসেৱকৰ এটা মুখ্য দায়িত্ব।



হোম ভিজিট কৰাৰ এক মুহূৰ্তত 'প্ৰতিশ্ৰুতি'ৰ পেলিয়েটিভ কেয়াৰৰ ন'ডেল অফিচাৰ ডাঃ দীপশিখা ঠেঙাল

'প্ৰতিশ্ৰুতি'ৰ এটা শক্তিশালী স্তম্ভ হৈছে এই অনুষ্ঠানৰ লগত জড়িত হৈ থকা স্বেচ্ছাসেৱকসকল। নিজৰ নিজৰ জীৱন আৰু জীৱিকাৰ বিভিন্ন কাম-কাজৰ মাজৰ পৰা সময় উলিয়াই এই স্বেচ্ছাসেৱকসকলে অতি নিষ্ঠা আৰু আন্তৰিকতাৰে 'প্ৰতিশ্ৰুতি'ৰ লগত কাম কৰি আহিছে। বিশেষকৈ 'প্ৰতিশ্ৰুতি'ৰ যি 'ঘৰুৱা উপশমী সেৱা প্ৰকল্প' আছে তাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত স্বেচ্ছাসেৱকসকলৰ এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। যিকোনো এজন ৰোগীৰ নাম যেতিয়া হেল্পলাইন নাম্বাৰৰ জড়িয়তে 'প্ৰতিশ্ৰুতি'ৰ লগত পঞ্জীয়ন কৰা হয়, তেতিয়া 'প্ৰতিশ্ৰুতি'ৰ অবৈতনিক প্ৰকল্প সঞ্চালিকা ডাঃ গায়ত্ৰী গগৈৰ লগত আলোচনা কৰি সেই ৰোগীজনৰ বাবে এটা হোম ভিজিত (Home Visit)ৰ পৰিকল্পনা কৰা হয়। প্ৰথমে সেই ৰোগীজনৰ দায়িত্বত থকা স্বেচ্ছাসেৱককজনে এটা দল গঠন কৰি সেই ৰোগীজনৰ ঘৰলৈ গৈ তেওঁৰ তথা তেওঁৰ পৰিয়ালৰ পৰিস্থিতিৰ বুজ লৈ তথা ৰোগীজনৰ শাৰীৰিক আৰু মানসিক অৱস্থা পৰ্যবেক্ষণ কৰি সেইমতে তাৰ পিছৰ কৰণীয়খিনি সম্পৰ্কে সিদ্ধান্ত লোৱা হয়। 'প্ৰতিশ্ৰুতি'ৰ এই ঘৰুৱা উপশমী প্ৰকল্পৰ কামখিনি যাতে সুচাৰুৰূপে চলি থাকে সেই গুৰুদায়িত্বত আছে ডাঃ গৌৰী শংকৰ বৰগোহাঁই আৰু ডাঃ দীপশিখা ঠেঙাল আৰু এই প্ৰকল্পৰ অধীনত দীপালী শইকীয়া, পদুম পোনা বৰুৱা, কৰবী হাজৰিকা, ডালিমী গগৈ, মুনমী ফুকন, ৰাজিৱ বিন কুটুব, মুস্ফি ৰহমান হাজৰিকা, দীপিকা দত্ত বৰদলৈ, জুনু দিহিঙিয়া, লাৱন্য লাহন, বিজু দত্ত বৰা, ৰেৱতী বুঢ়াগোহাঁই, শেৱালী চেতিয়া, জয়শ্ৰী গগৈ, পিন্টু দেৱনাথ, মেমন আহমেদ, মন্টুজিত দত্ত, তীৰ্থা ঠাকুৰী, অদিতি বৰুৱা, সীমা দেৱী হক, অঞ্জনা তামুলী, চ বিনা য়াচমিন, অজয় দত্ত, অৰ্ণৱ বৰা, অংকুৰ শইকীয়া, অহিৰ ভৈৰৱকে আদি কৰি (কোনোবা স্বেচ্ছাসেৱকৰ নাম যদি বৈ গৈছে তাৰবাবে ক্ষমা প্ৰাৰ্থী) অসমৰ বিভিন্ন ঠাইৰ বহুকেইজন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই সক্ৰিয়ভাৱে সেৱা আগবঢ়াই আহিছে। 'প্ৰতিশ্ৰুতি'ৰ পঞ্জীয়নভুক্ত ৰোগীজন, তেওঁৰ পৰিয়াল আৰু প্ৰতিশ্ৰুতিৰ মেডিকেল টীমটোৰ মাজৰ সংযোগ স্থাপন কৰা কামটো স্বেচ্ছাসেৱকজনেই কৰে। গতিকে স্বেচ্ছাসেৱকজনৰ বাবে ৰোগীজনৰ প্ৰতি সহমৰ্মিতা, ৰোগ সম্পৰ্কে এটা শুদ্ধ ধাৰণা, পৰিস্থিতিৰ অধ্যয়ন তথা পৰ্যবেক্ষণ কৰিব পৰাকৈ এটা শুদ্ধ ধাৰণা 'ঘৰুৱা উপশমী প্ৰকল্প'ৰ লগত জড়িত চিকিৎসক তথা অন্যান্য স্বাস্থ্যকৰ্মীসকলৰ আগত দাঙি ধৰিব পৰা গুণখিনি থকাটো অত্যন্ত জৰুৰী। কাৰণ তাৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্তী পৰ্যায়ত কেনেকৈ আগবাঢ়িব লাগিব তাৰ সিদ্ধান্ত লোৱা হয়। তাৰোপৰি কৰ্কট ৰোগ সম্পৰ্কে আমাৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস তথা ভ্ৰমসমূহ—যিবোৰে ৰোগীসকলক সঠিক সময়ত সঠিক চিকিৎসা গ্ৰহণ কৰাৰ ক্ষেত্ৰত কেতিয়াবা বাধাও দিয়ে সেইসমূহৰ বিৰুদ্ধে যুঁজ দিয়াটোও স্বেচ্ছাসেৱকসকলৰ এটা দায়িত্ব।

গতিকে শেষত এটা কথাই ক'ব পাৰি যে 'প্ৰতিশ্ৰুতি'ৰ একো একোজন স্বেচ্ছাসেৱকৰ বাবে প্ৰতিজন নতুনকৈ পঞ্জীয়ন হোৱা ৰোগীয়ে একো একোটা নতুন অভিজ্ঞতা, নতুন প্ৰত্যাহ্বান আৰু নতুন শিক্ষা লগত লৈ আহে। 'প্ৰতিশ্ৰুতি'ৰ এতিয়ালৈকে হোৱা কাম-কাজৰ সফলতাৰ ক্ষেত্ৰত এই অনুষ্ঠানৰ স্বেচ্ছাসেৱকসকলৰ অৱদান যিদৰে যথেষ্ট ঠিক তেনেদৰেই আহিবলগীয়া দিনবোৰতো 'প্ৰতিশ্ৰুতি'ক এটা সুন্দৰ, নিকা আৰু বিশ্বাসযোগ্য অনুষ্ঠান হিচাপে আগবঢ়াই নিয়াৰ গুৰু দায়িত্বও কিন্তু এই স্বেচ্ছাসেৱকসকলৰেই বেছি। কাৰণ ৰোগী তথা ৰোগীৰ পৰিয়ালৰ লগত খুব ওচৰ সম্বন্ধ এজন স্বেচ্ছাসেৱকৰহে গঢ় লৈ উঠে। ●

**EDITORIAL BOARD**
***Chief Advisor***
Prof. Alak Kr. Buragohain
***Editor :*** Dr. Gayatri Gogoi
**Executive Editor :** Ratan Hazarika
***Member :*** Panna Bharali



## আলোকচিত্ৰৰে ২০২২-২৩ বৰ্ষৰ 'প্ৰতিশ্ৰুতি'ৰ কাম-কাজৰ ৰেঙনি



'প্ৰতিশ্ৰুতি'ৰ উদ্যোগত আয়োজিত নেশ্বনেল ডক্টৰছ্ ডে'ৰ অনুষ্ঠানত বিশিষ্ট অতিথি, আয়োজক আৰু সম্বৰ্ধিতসকল, গুৱাহাটীত ১ জুলাইত।




'প্ৰতিশ্ৰুতি'ৰ উদ্যোগত আৰু ধেমাজি জিলা স্বাস্থ্য সমাজৰ সহযোগত অনুষ্ঠিত বিশ্ব কৰ্কট দিৱসৰ অনুষ্ঠানত অতিথি আৰু কৰ্মকৰ্তাসকল, ৪ ফেব্ৰুৱাৰীত, ধেমাজিত।




'প্ৰতিশ্ৰুতি'ৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত বিশিষ্ট অতিথি আৰু বঁটাপ্ৰাপকসকল, গুৱাহাটীত ১১ ডিচেম্বৰত।



'প্ৰতিশ্ৰুতি'ৰ উদ্যোগত আয়োজিত নেশ্বনেল ডক্টৰছ্ ডে'ৰ অনুষ্ঠানত বিশিষ্ট অতিথি আয়োজক আৰু সম্বৰ্ধিতসকল, ডিব্ৰুগড়ত ১ জুলাইত।




'প্ৰতিশ্ৰুতি'ৰ উদ্যোগত আয়োজিত পেলিয়েটিভ কেয়াৰ সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰিছে সমল ব্যক্তি ডাঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে, ডিব্ৰুগড়ত ৯ এপ্ৰিলত।




'প্ৰতিশ্ৰুতি'ৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত ভাষণৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশ পি.জি. আগৰৱাল আৰু অতিথিসকল।




ৱৰ্ল্ড ন' টবাকো ডে'ৰ শোভাযাত্ৰাত অংশগ্ৰহণ 'প্ৰতিশ্ৰুতি'ৰ বিষয়ববীয়া আৰু সদস্যসকল, ৩১ মে'ত, ডিব্ৰুগড়ত।



'প্ৰতিশ্ৰুতি'ৰ উদ্যোগত আয়োজিত ৱৰ্ল্ড চি.এম.এল ডে'ৰ অনুষ্ঠানত বিশিষ্ট অতিথি আৰু আয়োজকসকল আৰু ২য় ফটোত ৰোগীক চিকিৎসকে পৰীক্ষা কৰাৰ মুহূৰ্তত, এএমচিএইছ ডিব্ৰুগড়ত, ২২ ছেপ্টেম্বৰত।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাজীৱনৰ সংযোগ

(২)

শিক্ষক মানে অৱশ্যে শ্ৰেণীকোঠাত শিক্ষক ছাত্ৰ ৰূপে লাভ কৰা সম্পৰ্কৰ কথা কোৱাই নাই বৰঞ্চ জীৱনৰ বৃহৎ ৰংগমঞ্চত ভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত গুৰুজনে আমাক কণিষ্ঠ বা শিষ্যৰূপে গ্ৰহণ কৰি কি দৰে উপকৃত কৰিছে আমি বুজি পাইছো জীৱনৰ এই ক্ষণত। ইতিমধ্যে জীৱনৰ গতি সলনি কৰি দিয়া বহু শিক্ষক পথ-প্ৰদৰ্শকৰ কথা লিখিছো ড° এ পি জে আব্দুল কালাম, হোমেন বৰগোহাঞি, ড° নগেন শইকীয়া, ড° আনন্দ বৰমূদৈ, ড° কৰবী ডেকা হাজৰিকা ইত্যাদি । কিন্তু বহুজন জ্যেষ্ঠই আমি দেখা সপোনক নিজৰ বুলি আঁকোৱালি লৈ সেই অভিনৱ পথত একেলগে খোজ দিছে সমাজৰ বৃহত্তৰ কল্যাণাৰ্থে। শক্তিশালী কৰিছে পথৰ বুনিয়াদ, সফলতাৰ সৰু সৰু মাইলক উপভোগ্য কৰি তুলিছে। গভীৰ সন্মান আৰু বিশ্বাসেৰে সন্মুখৰ লক্ষ্যক স্পষ্ট আৰু শুদ্ধতা নিশ্চিত কৰিছে।

(৩)

তাৰে মাজৰ এজন ব্যক্তি ড° অলক কুমাৰ বুঢ়াগোহাঁই, অসমৰে নহয় বৰং সমগ্ৰ দেশৰ এজন কীৰ্তিমান পণ্ডিত, গৱেষক, বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজৰ সুচিন্তক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকাৰ সময়ত তেখেতৰ সৈতে মোৰ চিনাকি হৈ পৰৱৰ্তী সময়ত বিভিন্ন গুৰুত্বপুৰ্ন আলোচনা, সভা-সমিতিত ছাৰক লগ পাই আন্তৰিকতা গঢ়ি উঠিছিল। তেখেতে বিশ্ববিদ্যালয়ত পৰম উৎসাহেৰে নতুন ৰূপ নতুন শিক্ষা ও গৱেষণাৰ পৰিৱেশ দিয়াৰ চেষ্টা কৰিছিল। মোৰ সততে মনত অহা তেওঁৰ দিনৰ আন এটা সম্পদ হৈ ৰ'ল নতুন এক সৰ্বাংগসুন্দৰ অতিথিশালা যি আমাৰ অতিথিৰ বাবেও বহুল ব্যৱহাৰ কৰি আহিছোঁ। ছাৰৰ অতিশয় ব্যস্ততাৰ মাজতো মোৰ সৈতে কথা-বতৰা হৈছিল ।বাতৰি কাকতত লেখা এটা প্ৰকাশ পালেও পঢ়ি মোবাইলত মেচেজ দি উৎসাহিত কৰিবলৈ পাহৰা নাছিল। মোৰ ২০১৪ চনত প্ৰকাশিত কেন্সাৰৰ কিতাপখন পঢ়ি বক্তব্য লিখি প্ৰকাশ কৰিবলৈও দিছিল লগতে তাৰ কপি কিনি বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত ৰাখিছিল। পুথিভঁৰাল ডিজিটেল কৰি ৰাইজৰ বাবেও মুকলি কৰি দিছিল আৰু মই নিজেও তাৰ সদস্যৰ নামভৰ্তি ৰাখিছো। এবাৰ ছাৰে মোক ফোন কৰিছিল 'ক'ল ইণ্ডিয়া কৰ্পোৰেট ছ'ছিয়েল ৰেচপন্সিবিলিটি'ৰ পুঁজি সিদ্ধান্ত ল'বপৰা এজন জেষ্ঠ বিষয়াক লগ কৰিবলৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অতিথি গৃহত উপস্থিত হ'বলৈ। সেই সময়ত মই ব্যক্তিগত পৰ্যায়ত কেন্সাৰ ৰোগীক সহায় কৰাৰ কাম কৰিছিলোঁ। কিন্তু প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্টৰ তেতিয়া জন্মই হোৱা নাছিল, গতিকে তেনে কথা ভৱাৰ কোনো স্থল নাছিল। বৰঞ্চ 'প্ৰতিশ্ৰুতি' ৰ দৰে কাম কৰা অনুষ্ঠানৰ কথাও মই কাহানিও ভবা নাছিলোঁ। কিন্তু মই সহায় কৰা কেন্সাৰ বিজয়ী যোদ্ধাসকলৰ অনুৰোধক এক প্ৰকাৰ নেতিবাচক সহাঁৰি দিয়া মোৰ বাবে সম্ভৱ নাছিল। ফলস্বৰূপে 'প্ৰতিশ্ৰুতি'ৰ সতে জন্মৰ আনন্দৰ পৰা প্ৰতিটো কামৰ অবিচ্ছেদ্য অংগ পৰিলোঁ। এনে কেন্সাৰ ৰোগীৰ সেৱাত ব্ৰতী হৈ যি অতুলনীয় অভিজ্ঞতা আহৰন কৰিলো তাৰ ফলত হয়তো নৈতিক সাহস পালো আৰু 'যন্ত্ৰণা জয়ৰ ইতিকথা' শিৰোনামাৰে গ্ৰন্থ প্ৰকাশ কৰিলো।

অলক বুঢ়াগোহাঁই ছাৰৰ সৈতে হোৱা সংস্পৰ্শৰ ফলত মৰ্মে মৰ্মে বুজি উঠিছিলো তেখেতৰ ব্যক্তিত্বত সন্দেহাতীত সততা আৰু গভীৰ মানৱতাবোধ। যেতিয়া 'প্ৰতিশ্ৰুতি'ৰ জন্ম হ'ল ২০১৭ চনৰ ১৫ ডিচেম্বৰত, সভাপতি আসনৰ বাবে সকলোৱে ছাৰৰ কথা একেবাৰতে হয়ভৰ দিলে। যোৱা পাঁচ বছৰত সভাপতি পদত থাকি কেন্সাৰ ৰোগীৰ সেৱাত কৰিব পৰা কাৰ্যসূচীৰ মুল্যায়ন আৰু ভৱিষ্যৎ নিৰ্ণয়ত অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি কৰিছে। সৰ্বাঙ্গীন ন্যায় আৰু সমাজৰ কল্যাণৰ দিশত ছাৰ অতিশয় সচেতন আৰু কোনো কামেই যাতে ব্যক্তি স্বাৰ্থৰ প্ৰশ্ন আনিব নোৱাৰে তাৰে বাবে সঁকীয়াই দিয়ে। অথচ তাৰ মাজত সকলো সহযোগিতা- উৎসাহত ক'তো কৃপণালি কৰা নাই। ড° আনন্দ বৰমূদৈ ছাৰে এবাৰ মোৰ কবিতাৰ বিষয়ে লিখোতে কৈছিল যে মহাজীৱনৰ সন্ধানত যন্ত্ৰণাত আতুৰ মানুহৰ বাবে কাম কৰোঁতে কেৱল আনৰ জীৱনক গঢ়ি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰা এজন শিক্ষক- 'পথ প্ৰদৰ্শক'ৰ সংযোগ নিশ্চিতভাৱে মহাজীৱনৰ সংযোগ' বুলি উচিতভাৱে অভিহিত কৰিব পাৰি। আমি এক অসম্ভৱ সপোনৰ সন্ধানত গৈ থাকিম। সীমা দেৱী হক নামৰ কবিগৰাকীয়ে কোৱাৰ দৰে 'শত শত মানৱৰ দুখৰ চকুলো আৰু মনৰ বিভীষিকা দূৰ কৰাইতো 'প্ৰতিশ্ৰুতি'।●

# The Growing Burden of Cancer and

reduce and remove these inequities, are some of the important issues that need to be addressed to surmount the challenge. In this scenario, the importance of non- government voluntary organizations like Pratishruti is enormous. Pratishruti's role and social responsibility is not limited to extend palliative care to the needy patients and their families. We have very important roles in creating cancer awareness and sensitization and to facilitate access to the right health care support to the people to the extent possible. Over the last few years, Pratishruti is engaged in such activities with increasing consciousness. Considering the great importance of evidence based approaches in our above efforts, we are also increasingly involved with research. Pratishruti needs more number of trained volunteers and support from socially conscious philanthropists and the Government. On the occasion of the Foundation Day of Pratishruti, I on behalf of Pratishruti, place on record our sincere appreciation of everyone from outside Pratishruti and our own members, including the doctors and other volunteers for their continued dedicated service to the society.●

# 'প্ৰতিশ্ৰুতি' আৰু মোৰ অনুভৱ

২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা মোৰ পৰিবাৰ মৃদুলা বুঢ়াগোহাঁইৰ কঁকালৰ ওচৰত বহুত বিষ অনুভৱ কৰি থকা হেতু ধেমাজিৰ চিকিৎসকক দেখুৱাই বিষ ভাল নোপোৱাত ডিব্ৰুগড়ৰ ডাঃ ৰীণা আহমেদ বাইদেউৰ লগতে অৰ্থপেডিক বিভাগৰ চিকিৎসক আৰু মেডিচিন বিভাগৰ চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ, বেজী আদি লোৱাৰ পাছত পৰিবাৰৰ এলাৰ্জি হোৱাত ফোন কৰি সোধাত পূৰ্বৰে পৰা পৰামৰ্শ আৰু চিকিৎসা গ্ৰহণ কৰি থকা ডাঃ মৃগাংক বৰুৱাই সকলো ঔষধ বন্ধ কৰি দিবলৈ পৰামৰ্শ দিলে। এনেকৈ মে' মাহ পালেগৈ। ইয়াৰ পিছত ডাঃ বৰুৱাদেৱে পৰামৰ্শ দিয়া অনুসৰি মই ডাঃ সৃনালী দেউৰী বাইদেউক দেখুৱালো। পৰৱৰ্তী সময়ত বায়'পছি কৰি ডাঃ সৰ্বেশ্বৰ ভূঞা আৰু মৃগাংক ছাৰৰ পৰামৰ্শ আৰু মোৰ বন্ধু নিৰোধ চাংমাই, মোহন চুতীয়া আৰু ৰঞ্জন বৰুৱাৰ পৰামৰ্শ মতে চেন্নাইৰ এপল' হস্পিটেল যোৱাৰ সিদ্ধান্ত ল'লো। তাত বিভিন্ন আনুষংগিক পৰীক্ষা কৰি থকাৰ সময়তে মোৰ বন্ধু ৰঞ্জন বৰুৱাৰ পৰা ফোন আহিল আৰু সি Biopsy Report ৰ কথা সোধাত মই সকলো কথা বুজাই ক'লো। তেতিয়া তেওঁৰ পৰামৰ্শ অনুসৰি মই এএমচিএইছৰ অধ্যাপিকা ডাঃ গায়ত্ৰী গগৈৰ লগত বাৰ্তালাপ কৰিলো। তেখেতে গুৱাহাটীৰ বিবিচিআইত চাৰ্জিকেল অংলজিষ্ট ডাঃ গৌৰৱ দাসক দেখুৱালৈ পৰামৰ্শ দিয়াৰ লগতে 'প্ৰতিশ্ৰুতি'ৰ হেল্পলাইনত ৰেজিষ্টাৰ কৰিবলৈ ক'লে। মই দেৰি নকৰি সেইদিনা (০১-০৬-২০২৩) গধূলি ফ্লাইটৰ টিকট কৰি ৰাতি গুৱাহাটী পালোগৈ। 'প্ৰতিশ্ৰুতি'ৰ সহযোগত পৰিবাৰৰ ০৬-০৬-২০২৩ তাৰিখত নাম পঞ্জীয়নভুক্ত হোৱাৰ লগতে ডাঃ দাসৰ জৰিয়তে ১৯-০৬-২০২৩ তাৰিখে সুকলমে পৰিবাৰৰ অস্ত্ৰোপচাৰ হৈ যায়। ইয়াতে এটা কথা নক'লে আধৰুৱা হৈ ৰ'ব। 'প্ৰতিশ্ৰুতি'ত ৰেজিষ্টাৰ হোৱাৰ পিছৰ পৰাই সদস্যা কৰবী হাজৰিকাই প্ৰতিদিনে আমাক উৎসাহ-দিহা-পৰামৰ্শ প্ৰদানৰ লগতে ডাঃ গায়ত্ৰী গগৈৰ সু পৰামৰ্শৰ কথা শ্ৰদ্ধাৰে সুঁৱৰিছো। সম্প্ৰতি পৰিবাৰৰ ৰেডিয়েচন আৰম্ভ হৈ ০৫-০৮-২০২৩ তাৰিখে শেষ হয় আৰু বৰ্তমানে তেওঁ সুস্থ অৱস্থাত আছে। শেষত 'প্ৰতিশ্ৰুতি'ৰ পৰিয়ালৰ সকলোলৈ মোৰ পৰিবাৰ তথা পৰিয়ালক বহুমূলীয়া সময়-মূল্যৱান পৰামৰ্শ দিয়াৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।●

**হেমন্ত বুঢ়াগোহাঁই,**
**ধেমাজি**



'প্ৰজেক্ট সম্ভৱ' আঁচনিৰ অধীনত সাহাৰ্য্য প্ৰদান কৰা এটি পৰিয়ালৰ কাষত 'প্ৰতিশ্ৰুতি'।

পাঁচ পৃষ্ঠাৰ পৰা—'প্ৰতিশ্ৰুতি' আৰু অনুভৱ

সেক (Ray) লোৱা হৈ গ'ল। তেখেতসকলৰো আৰ্থিক অৱস্থা অতি দুখলগা। আমাৰ লগত লৈ যোৱা কিছু পুষ্টিকৰ খাদ্য আৰু ঔষধ দি তেখেতৰ মনোবল বৃদ্ধি কৰিবৰ বাবে বহু কথাই পাতিলো আৰু আশ্বাস দি আহিলো যে ইতিমধ্যে আমি ডাঙৰ ছোৱালীজনীক কলেজত বিনামূলীয়াকৈ পঢ়িব পৰাকৈ এটা অনুষ্ঠানৰ যোগেদি ব্যৱস্থা কৰা হল। তাৰপৰা আমি বিদায় ল'লো এক মিশ্ৰিত অনুভৱ লৈ। এনেকৈয়ে আমাৰ 'প্ৰতিশ্ৰুতি'ৰ কাম-কাজবোৰ চলি থাকে। ব্যস্ততাৰ মাজতো কিছু সময় উলিয়াই আমাৰ সেৱক-সেৱিকাসকলে নিৰৱচ্ছিন্নভাৱে এই কামত বৰ্তি থাকে। এনে নহয় যে আমি কেৱল আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লগতহে জৰিত; আমাৰ বহুতো পঞ্জীকৃত ৰোগী তথা আঢ্যৱন্ত পৰিয়ালৰ লোক আছে। তেওঁলোককো আমি পাৰ্যমানে দিহা-পৰামৰ্শ দি থাকো।●



# কানিৰ পৰা ধঁপাতলৈ

● ডাঃ ভক্তিময় ভট্টাচাৰ্য
বিশিষ্ট চিকিৎসক, গৱেষক, যোৰহাট

ড্ৰাগচ বা নিচা হিচাপে ব্যৱহাৰ কৰা দ্ৰব্যসমূহে মানুহৰ দেহত বা অন্যান্য প্ৰাণীৰ দেহত প্ৰত্যক্ষ প্ৰভাৱ পেলাই আহিছে। ভেষজ বিজ্ঞান অনুসৰি নিচা বা ড্ৰাগচ হিচাপে ব্যবহৃত সামগ্ৰীসমূহক সাধাৰণতে (Laboratory Investigation) বা ৰোগ প্ৰতিৰোধ বা ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা হয়। অপ্ৰয়োজনীয়ভাৱে, মনত ক্ষন্তেকীয়া আনন্দ, অনুভূতি সৃষ্টি কৰিবৰ বাবে এনে দ্ৰব্যসমূহৰ ব্যৱহাৰ হ'লে ইয়াক নিচা হিচাপে ব্যৱহাৰ বুলি কোৱা হয়।

এনে নিচাৰ ব্যৱহাৰৰ প্ৰতি যেতিয়াই এজন ব্যক্তিৰ এৰাব নোৱৰা মানসিক অৱস্থাৰ সৃষ্টি হয় তেতিয়াই নিচাসক্ত ড্ৰাগচ এডিক্ট (Drugs addict) বুলি কোৱা হয়। নিচাৰ ব্যৱহাৰ মানৱ সভ্যতাৰ আৰম্ভণিৰ লগে লগে এনেদৰে আৰম্ভ হৈছিল যিটো নেকি কল্পনাৰো অতীত। আদিম মানব সভ্যতাই কোনো কোনো উদ্ভিদৰ বিভিন্ন অংশ, যেনে পাত, ফল আদি খালে যে মনত আনন্দৰ অনুভূতি, অৱসাদমুক্ত হয় বা নিচাগ্ৰস্ত হয় এই কথা পৰ্যবেক্ষণ কৰিছিল। প্ৰথম অৱস্থাত এনে উদ্ভিদৰ অংশ বা উদ্ভিদৰ পৰা আহৰণ কৰা দ্ৰব্য ৰোগমুক্ত বা অৱসাদমুক্ত হ'বলৈ ব্যৱহাৰ কৰিছিল। অতি প্ৰাচীন কালত ইজিপ্তত মদৰ ব্যৱহাৰ, চীনত ভাঙৰ ব্যৱহাৰ, চুইজাৰলেণ্ড আদি দেশত কানিৰ আৰু আমাৰ দেশতো ভাং বা কানিৰ ব্যৱহাৰৰ প্ৰামাণিক সমল পোৱা যায়।

কালক্ৰমত সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে আজিৰ আধুনিক দিনলৈকে বহু নিচাজাতীয় জৈৱিক বা অজৈৱিক দ্ৰব্য পৰীক্ষাগাৰত প্ৰস্তুত হৈছে আৰু নিচা হিচাপে প্ৰয়োগো হৈ আহিছে। যুগে যুগে এনে দ্ৰব্যৰ প্ৰতি প্ৰৱল জনমতৰো সৃষ্টি হৈ আহিছে। আন্তঃৰাষ্ট্ৰীয় নীতি অনুকৰণ কৰি, নিচা বিৰোধী প্ৰৱল স্থিতি গ্ৰহণ কৰি, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিকভাৱে আইন প্ৰয়োগ কৰা হৈছে। কিন্তু অকল আইনৰ সফল প্ৰয়োগৰ দ্বাৰাই আমি আমাৰ উঠি অহা প্ৰজন্মক নিচাৰ ব্যৱহাৰৰ পৰা মুক্ত কৰিব যে পাৰিম এনে নহয়। ইয়াৰ বাবে প্ৰয়োজন হয় প্ৰবল জনমত, আৰ্থ-সামাজিক বা সাংস্কৃতিক জন আন্দোলনৰ।

'কিনো খাই পাহৰিম তোকে অ' লাহৰী
কিনো খাই পাহৰিম তোক
মিছিমি আহিব বৰ বিহ (কানি?) আনিব
তাকে খাই পাহৰিম তোক।'

অসমীয়াৰ বাপতি সাহোন বিহুৰ এই পৌৰাণিক যোজনাফাঁকিয়েই হয়তো আমাক অতীতৰ সেই কলংকিত কৰ্মবিমুখ অধ্যায়ৰ কথা মনত পেলাই ('কানীয়া অসম')। এই কানিৰ প্ৰচলন ১৮০০ শতিকাৰ আৰম্ভণিৰ পৰা ১৯২৭ চনমানলৈ অসমীয়া সমাজত ব্যাপকভাৱে হৈছিল। সেই সময়ৰ কানীয়াসকলে কানি সৰু সৰুকৈ মলি বড়ি কৰি, কোনো কোনোৱে পানী বা গাখীৰৰ লগত গুলি চিৰাপ কৰি বা কানিৰ টিকিৰা পুৰি বা তামোল-পাণৰ লগত কানিৰ সৰু বড়ি চোবাই খাইছিল। পাছত কানিৰ তিতা স্বাদ নাইকিয়া কৰিবৰ বাবে গুৰ, গাখীৰ, সৰু সৰু কুঁহিয়াৰ বা তেনে মিঠাযুক্ত সোৱাদ লগা খাদ্য খাইছিল। এনেধৰণৰ সোৱাদ লগা খাদ্যৰ জুতি ল'বলৈ ঘৰৰ বা ওচৰৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰ আহিছিল আৰু কানিৰ মাৰাত্মক নিচাৰ সামাজিক স্বীকৃতি অনুধাৱন কৰিছিল। সমাজৰ সৰু-ডাঙৰ, সম্ভ্ৰান্ত, সংস্কৃতিবান মানুহেও এই কানি ৰাজহুৱাভাৱে সেৱন কৰি অসমীয়া সমাজত এক কৰ্মবিমুখ অন্ধকাৰ যুগৰ সূচনা কৰিছিল।

১৮২৬ চনৰ পৰা ১৮৭৪ চনমানলৈকে ইংৰাজ শাসকসকলে, ক্ৰমশঃ সবল হৈ অহা কানি বিৰোধী সামাজিক স্থিতিৰ প্ৰতি সঁহাৰি জনাই, বছৰি ১০ শতাংশকৈ কানিৰ ব্যৱহাৰ কমাই আনিবৰ বাবে বিভিন্ন আইন প্ৰয়োগ কৰিছিল। কানিৰ বিৰুদ্ধে প্ৰয়োগ কৰা এনে আইনী ব্যৱস্থা আৰু স্বাধীনতা আন্দোলনৰ গুৰি ধৰোতাসকলৰ প্ৰচেষ্টা, 'কানীয়া কীৰ্ত্তন'ৰ নিচিনা সামাজিক নাটকৰ যোগেদি ক্ৰমশঃ বৃদ্ধি হোৱা সামাজিক সচেতনতা, সংস্কাৰমুখী নৱবৈষ্ণৱ আন্দোলনৰ প্ৰত্যক্ষ প্ৰভাৱে অসমীয়া সমাজত কানিৰ প্ৰভাৱ লাহে লাহে কমাই আনিছিল। স্বাধীনোত্তৰ কালত আমাৰ চৰকাৰে লোৱা আইনগত, কুসংস্কাৰমুক্ত নীতি আৰু স্থিতিয়ে অসমক সম্পূৰ্ণৰূপে কানিমুক্ত কৰিলে হয়, কিন্তু ভাঙৰ প্ৰচলন হ'লে চলি থাকিল। কানিৰ লগে লগে প্ৰাচীন অসমত ভাঙৰ প্ৰচুৰ প্ৰচলন আছিল। আজিও পূজা-পাৰ্বণ বা ঠাই বিশেষে গৰখীয়া সবাহ বা ভঙুৱা সবাহ পতাৰ নামত ভাঙৰ ব্যৱহাৰক সামাজিক মৰ্যদা দি আহিছোঁ। এই ভাঙৰ ব্যৱহাৰে বহু উজ্জল প্ৰতিভাক অকালতে মষিমূৰ কৰি এখন ঘৰক, এটা পৰিয়ালক সৰ্বশ্ৰান্ত কৰি আহিছে।

মদৰ ব্যৱহাৰো অসমীয়া সমাজত পৌৰাণিক কালৰে পৰা দেখা যায়। বিশেষতঃ জনজাতীয় সম্প্ৰদায়ৰ লোকসকলে চাউলৰ পৰা এক বিশেষভাৱে প্ৰস্তুত কৰি উলিওৱা স্থানীয় মদ (হাৰিয়া, সাজ, আপং ইত্যাদি) সেৱন কৰে। ব্ৰিটিছে অসমক কানিমুক্ত হোৱাৰ ক্ষেত্ৰত প্ৰাৰম্ভিকভাৱে অলপ হ'লেও সহায় কৰিছিল যদিও মদৰ ক্ষেত্ৰত তেনে কোনো বাধা দিয়া নাছিল। ব্ৰিটিছসকলকে অনুকৰণ কৰি সেই সময়ৰ অসমীয়া সমাজত বিলাতী মদৰ ব্যৱহাৰ হ'ল। আজিও যুৱ মানসিকতাক বিকৃত কৰাত এই বিলাতী মদৰ প্ৰভাৱক আমি নুই কৰিব নোৱাৰোঁ। চাহ বাগানত, গাঁৱলীয়া সহজ-সৰল অসমীয়া সমাজত লালী গুৰৰ পৰা বেআইনীভাৱে প্ৰস্তুত কৰা চুলাই মদে শাৰীৰিক, আৰ্থিক আৰু সামাজিকভাৱে যথেষ্ট ক্ষতি কৰি আহিছে।

আজিৰ পৰা ৫০০ বছৰমানৰ আগতে অসমীয়া তথা ভাৰতীয় সভ্যতালৈ অহা অন্য এক বিদেশী আৰু মাৰাত্মক নিচা হ'ল ধঁপাত। ৫০০ বছৰৰ আগলৈকে আমেৰিকাৰ আদিম তথা ভাৰতী আদিবাসী ৰেডইণ্ডিয়ান সকলেহে অকল ব্যৱহাৰ কৰিবজনা 'ধঁপাত' নামৰ উদ্ভিদবিধ কলম্বাছে আমেৰিকা আবিষ্কাৰৰ সময়ত লগত যোৱা পৰ্তুগীজ বণিকসকলেহে সমগ্ৰ পৃথিবী ব্যাপি ব্যৱসায়ৰ যোগেদি প্ৰচলন কৰালে। এটা সময়ত কানিৰ কঁৱাল গ্ৰাসত পৰাৰ দৰে আজিৰ অসমীয়া সমাজো ধঁপাতৰ আসক্তিত নিমজ্জিত হৈ অসমক মুখমণ্ডল তথা শৰীৰৰ বিভিন্ন স্থানত হোৱা কেন্সাৰৰ ৰাজধানীত পৰিণত কৰিছে। দেশৰ বহু বিৰল প্ৰতিভা, তীক্ষ্নবুদ্ধিসম্পন্ন ছাত্ৰ, বিৰল ব্যক্তিত্ব, নেতা, লেখক-সাহিত্যিকৰ দৰে ব্যক্তিও ধঁপাত ব্যৱহাৰ ফলত হোৱা হাৰ্ট এটেকত (Sudden Cardio Death) আক্ৰান্ত হৈ অকালতে মৃত্যু মুখত পৰিছে।

ধঁপাতৰ ব্যৱহাৰৰ ফলত যে অকল কেন্সাৰ বা হৃদৰোগহে হয় এনে নহয়; ধঁপাতে আমাৰ দেহৰ ভগৱানপ্ৰদত্ত ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা লাহে লাহে সম্পূৰ্ণৰূপে নিঃশেষ কৰে। ধঁপাতজনিত অন্যান্য মূল ৰোগসমূহৰ ভিতৰত চুলি সোনকালে পৰা, বয়সৰ আঁচোৰ মুখত সোনকালে পৰা, মুখমণ্ডল তথা দাঁতৰ গুৰিৰ সংক্ৰমন আৰু মুখমণ্ডলৰ কৰ্কট ৰোগ, ডিঙিৰ কৰ্কট ৰোগ, হাওঁফাওঁৰ কৰ্কট ৰোগ আৰু হাওঁফাওঁৰ অন্যান্য ৰোগসমূহ যেনে - চি.অ'. পি.ডি. (COPD), এজমা, যক্ষ্মা ৰোগ (TB) হ'ব পাৰে। ধূম্ৰপায়ী আৰু মুখেৰে চোবাই খোৱা ধঁপাত খোৱাসকলৰ নিউমনিয়া, ক'ভিড-১৯ আৰু যক্ষ্মাৰোগ সহজতে হয়। অন্যান্য কৰ্কট ৰোগৰ ভিতৰত পেট, জৰায়ুৰ সন্মুখভাগ (Cervix), তেজৰ কৰ্কট ৰোগ (Blood Cancer) আৰু বৃহদন্ত্ৰৰ (Large-intestine) কৰ্কট ৰোগ আৰু ভৰিত সহজতে নুশুকুৱা ঘাঁ (গ্ৰেংগ্ৰীণ) হ'ব পাৰে। ধঁপাতজনিত ৰোগসমূহৰ ভিতৰত আটাইতকৈ মাৰাত্মক ৰোগ হ'ল উচ্চ ৰক্তচাপজনিত মগজুৰ ষ্ট্ৰোক (ৰক্তক্ষৰণ) বা হঠাতে হোৱা (CAD) অকল যে, প্ৰত্যক্ষ ধূম্ৰপায়ীৰে যে এই ধঁপাতজনিত ৰোগসমূহ হয় এনে নহয়; ধুম্ৰপায়ীৰ ওচৰৰ যিকোনো ব্যক্তিৰ যি নেকি, পৰোক্ষভাৱে ধূম্ৰপান কৰে তেওঁৰো সকলো ধঁপাতজনিত ৰোগ হ'ব পাৰে।

এনে ধঁপাতজনিত ৰোগ বা ধঁপাতজনিত মৃত্যুসমূহ আমি সম্পূৰ্ণৰূপে প্ৰতিৰোধ কৰিব পাৰোঁ। এজন ব্যক্তিয়ে **(পাঁচ পৃষ্ঠাত)**

# 'প্ৰতিশ্ৰুতি'ৰ মেৰুদণ্ড দাতাসকল

● মঞ্জুলা আগৰৱাল, কোষাধ্যক্ষা, 'প্ৰতিশ্ৰুতি'

'প্ৰতিশ্ৰুতি'ৰ পুঁজি সংগ্ৰহৰ যি প্ৰক্ৰিয়া সি আনতকৈ পৃথক আৰু অভিনৱ। 'প্ৰতিশ্ৰুতি'ৰ মেৰুদণ্ডস্বৰূপ কল্যাণকামী দাতাসকলে বাৰ্ষিক বৰঙণি হিচাপে ন্যূনতম ১,২০০ (বাৰশ) টকাকৈ আগবঢ়াই 'প্ৰতিশ্ৰুতি'ক আগবাঢ়ি যোৱাত সহায় কৰি আছে। এই অভিনৱ পুঁজি সংগ্ৰহ প্ৰক্ৰিয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো উচ্চ প্ৰশংসিত হৈছে। গুৱাহাটীত অনুষ্ঠিত আন্তৰ্জাতিক উপশমী চিকিৎসা সন্মিলনতো এই প্ৰক্ৰিয়াক বিভিন্নজনে যথেষ্ট প্ৰশংসা কৰিছিল। বৰ্তমান সময়ত প্ৰায় ৫৬০ কল্যাণকামী দাতাই প্ৰতিটো পদক্ষেপতে 'প্ৰতিশ্ৰুতি'ৰ লগত সাহস হৈ থিয় দি আছে। আমাৰ মাজত এনেকুৱা দাতাও আছে যিসকলে অৰ্থনৈতিকভাৱে নোৱাৰিলেও অন্যান্য ধৰণেৰে যেনে বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰা, থকা-খোৱাৰ ব্যৱস্থা কৰা, ঔষধ আদিৰ দ্বাৰা 'প্ৰতিশ্ৰুতি'ৰ পঞ্জীয়নভুক্ত ৰোগীসকলক সহায় কৰি আহিছে। চলিত বৰ্ষত সৰ্বাধিক বৰঙণি আগবঢ়োৱা দাতাসকলৰ তালিকা উল্লেখ কৰা হ'ল —

| দাতাৰ নাম | ধনৰ পৰিমাণ |
|---|---|
| বিচিপিএল | ১০,০০,০০০.০০ |
| গীতা দেৱী আগৰৱালা আৰু বি এল আগৰৱালা | ১,৩০,০০০.০০ |
| বিজু চৌধুৰী | ২৫,০০০.০০ |
| শক্তি কটকী ভট্টাচাৰ্য | ২১,০০০.০০ |
| লীলা দত্ত | ২০,০০০.০০ |
| তিলোত্তমা দত্তবৰুৱা | ১৫,০০০.০০ |
| উমেশ গোস্বামী | ১২,০০০.০০ |

১,২০০ ৰ পৰা উৰ্ধৰ অন্যান্য বৰঙণি আগবঢ়োৱা দাতাৰ সংখ্যা আৰু গৰাকীৰ নাম তালিকা 'প্ৰতিশ্ৰুতি'ৰ ৱেবছাইট ঃ www.pratishruti.org ত উপলব্ধ।

# জৰায়ু গ্ৰীৱাৰ কৰ্কটৰোগ (Cervical Cancer)

● ডাঃ ৰীণা আহমেদ
উপসভানেত্ৰী, 'প্ৰতিশ্ৰুতি'
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ, ডিব্ৰুগড়

গোটেই পৃথিৱীত বিভিন্ন কাৰণত মৃত্যু হোৱা লোকৰ পৰিসংখ্যালৈ চাই দেখা গৈছে যে পথ দুৰ্ঘটনা, হৃদযন্ত্ৰৰ বিজুতি (Cardiac Cancer), মগজুৰ ৰক্তক্ষৰণ (Brain Hamorrhage Stroke) ইত্যাদিৰ পিছতেই কৰ্কট ৰোগক মৃত্যুৰ এক গুৰুত্বপূৰ্ণ কাৰক হিচাপে চিহ্নিত কৰা হৈছে। পশ্চিমৰ চহকী দেশবোৰত মহিলা সকলৰ স্তনৰ কৰ্কট ৰোগকেই কৰ্কট ৰোগৰ পৰা মৃত্যু হোৱা কাৰকসমূহৰ ভিতৰত এক নম্বৰ কাৰক হিচাবে গণ্য কৰা হয়। কিন্তু আমাৰ দৰে উন্নয়নশীল দেশবোৰৰ ক্ষেত্ৰত জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগেহে (Cervical Cancer) এক নম্বৰ স্থান পাইছে (No.1 Leading cause of death from cancer among females).

**সমস্যাটোৰ গভীৰতা**

(১) এক প্ৰতি বছৰে গোটেই পৃথিৱীজুৰি ৫,০০,০০০ কৈও অধিক মহিলাৰ শৰীৰৰ জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগ প্ৰথমবাৰৰ বাবে ধৰা পৰে।

(২) প্ৰতি বছৰে আমাৰ দেশত কেবা লক্ষ মহিলাই এই ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱতি লয় নাইবা এক ৰোগাক্ৰান্ত শৰীৰ লৈ আসন্ন মৃত্যুলৈ অপেক্ষা কৰে।

(৩) অতি দুখ আৰু দুৰ্ভাগ্যৰ কথা এয়ে যে বেছিভাগ ৰোগীৰ ক্ষেত্ৰতে এই ৰোগ শেষ অৱস্থাত (Last Stage or Advanced Stage) ধৰা পৰে আৰু সেই মুহূৰ্তত ৰোগীৰ বাবে কৰিবপৰা বিশেষ একো নাথাকে অৰ্থাৎ এক দুৰাৰোগ্য ব্যাধি হৈ পৰে।

**কোনবোৰ মহিলাই এই ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক** (High Risk Factor)?

যি কোনো মহিলাই এই ৰোগবিধৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে যদিও তলত উল্লেখ কৰা কাৰক সমূহৰ উপস্থিতিত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱা দেখা যায়।

১। কম বয়সতে যৌন সম্পৰ্ক আৰম্ভ কৰা (Sexual Act at Eearly Age)।
২। কম বয়সত বিয়া হোৱা
৩। সুদীৰ্ঘ কালৰ বাবে যৌন সম্পৰ্ক
৪। অধিক ব্যক্তিৰ স'তে যৌন সম্পৰ্ক
৫। অধিক সন্তান জন্ম দিয়া
৬। দুৰ্বল আৰ্থ-সামাজিক অৱস্থা
৭। শিক্ষাৰ অভাৱ
৮। এইচ পি ভি ৰ দ্বাৰা আক্ৰান্ত হোৱা।

অতি গুৰুত্বপূৰ্ণ আৰু দুখলগা লগতে দুৰ্ভাগ্যজনক কথাটো হ'ল একেবাৰে আৰম্ভণি অৱস্থাত এই ৰোগৰ কোনো লক্ষণ দেখা নাযায় নাইবা ৰোগীয়ে একো অসুবিধা অনুভৱ নকৰে, যাৰ কাৰণে ৰোগী চিকিৎসকৰ ওচৰলৈ পৰামৰ্শ বিচাৰি অহাত পলম হয়। যেতিয়ালৈ লক্ষণবোৰ দেখা দিয়ে তেতিয়ালৈ ৰোগবিধ বহুখিনি আগবাঢ়ি জটিলৰূপ ধাৰণ কৰে আৰু ৰোগ নিৰাময় কৰিব পৰা বিশেষ একো নাথাকে।

সচৰাচৰ দেখা পোৱা লক্ষণসমূহ হ'ল —
১। যৌনাংগৰ অনিয়মীয়া ৰক্তক্ষৰণ।
২। বগাস্ৰাৱ (Leukorrhea)
৩। ৰক্তস্ৰাৱ (P/V bleeding)
৪। দুৰ্গন্ধিযুক্ত স্ৰাৱ বাহিৰ হোৱা
৫। যৌন সংগমৰ পিছত ৰক্তস্ৰাৱ হোৱা
৬। ৰজোনিবৃত্তিৰ পিছত ৰক্তস্ৰাৱ হোৱা (Post Menopausal P/V Bleeding)
৭। শৰীৰৰ ওজন কমি যোৱা, ভোক নলগা ইত্যাদি।

যিহেতু এই ৰোগৰ আৰম্ভণিতে একো লক্ষণ দেখা নাযায়, সচৰাচৰ বহু পলমকৈ জটিল অৱস্থাতহে ধৰা পৰে, চিকিৎসা বিজ্ঞানত এনে কোনো উপাই আছেনে যাৰ দ্বাৰা ইয়াক একেবাৰে আৰম্ভনিতে ধৰা পেলাব পাৰি আৰু ৰোগীক সম্ভাব্য মৃত্যুৰ পৰা বচাব পাৰি। উত্তৰ হৈছে — আছে আৰু সেয়া হ'ল Pap Test (পেপ টেষ্ট বা পেপ স্মেয়াৰ টেষ্ট)।

**প্ৰতিষেধকৰ ভূমিকা ঃ** বিভিন্ন অধ্যয়নৰ পৰা দেখা গৈছে যে এইচ পি ভি (Human Papilarrva Virus)ৰ উপস্থিতি আৰু জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে। জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগত ভোগা মহিলাসকলৰ ১০০ শতাংশতে এই ভাইৰাছবিধৰ উপস্থিতি ধৰা পৰিছে। যাৰ বাবে HPV ৰ Infection জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগৰ কাৰক হিচাপে বৈজ্ঞানিক সকলে চিহ্নিত কৰিছে। কিন্তু এইটোও সঁচা যে HPV Infection ত ভোগা মানেই এই ৰোগ নহয়। আমাৰ বাবে এক সুখবৰ হৈছে HPV Infection ৰ প্ৰতিষেধক আৱিষ্কাৰ হৈছে। ইয়াৰ টিকাৰ জৰিয়তে এই infection নোহোৱাকৈ ৰাখিব পৰা হৈছে, যাৰ দ্বাৰা পৰোক্ষভাবে জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগৰ সম্ভাৱনীয়তা বহুখিনি কমাব পৰা গৈছে। বিভিন্ন স্তৰৰ অধ্যয়ণৰ অন্তত এই প্ৰতিষেধক বিভিন্ন দেশত ব্যৱহাৰ কৰি এই ৰোগৰ প্ৰাদুৰ্ভাৱ বহুখিনি কমাব পৰা গৈছে। নিসন্দেহে আধুনিক চিকিৎসা বিজ্ঞানৰ ই এক চমকপ্ৰদ উদ্ভাৱন। উন্নত দেশৰ সমূহে এই প্ৰতিষেধক ব্যৱহাৰ কৰি জৰায়ু গ্ৰীৱাৰ কৰ্কট ৰোগ প্ৰতিৰোধ কৰাত বহুখিনি সুফল লাভ কৰিছে। কিন্তু ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনত এই প্ৰতিষেধক আজিও জনপ্ৰিয় হৈ উঠা নাই অৰ্থাৎ জনসাধাৰণৰ মাজত প্ৰতিষেধক লবলৈ আগবাঢ়ি অহাৰ মানসিকতাৰ বহু অভাৱ। ইয়াৰ কাৰণ আমি নিজে। আমাৰ চিকিৎসকসকলৰ মাজত সদিচ্ছাৰ অভাব, সজাগতাৰ অভাব। আমাৰ মাজৰ বহুতে এই বিধ প্ৰতিষেধকৰ বিষয়ে অভিভাৱকসকলৰ সৈতে প্ৰায়ে কথা নাপাতো, যাৰ বাবে বিষয়টি প্ৰায়ে তল পৰি থাকে।

**প্ৰতিষেধক লোৱাৰ নিয়ম বা টিকাকৰণৰ নিয়ম ঃ** অধিকতম সুফল লাভ কৰিবলৈ হ'লে কোনো এগৰাকী ছোৱালী প্ৰথম বাৰৰ বাবে যৌন সম্পৰ্ক স্থাপন হোৱাৰ আগতে (১১ বছৰৰ পৰা ১২ বছৰৰ ভিতৰত) ৩ পালি প্ৰতিষেধক দিয়াব লাগে। প্ৰথম পালি দিয়াৰ এমাহৰ মূৰত দ্বিতীয় পালি আৰু ৬ মাহৰ অন্তত তৃতীয় পালি প্ৰতিষেধক দিয়াৰ নিয়ম। সৰ্বমুঠ ৩ পালি দিয়াৰ পিছতহে টিকাকৰণ সম্পূৰ্ণ হোৱা বুলি ধৰা হয়।

যিসকলৰ ইতিমধ্যে যৌন সম্পৰ্ক হৈ গৈছে, বিয়া-বাৰু হৈছে বা সন্তানো জন্ম দিলে সেই মহিলাসকলেও এই টিকাৰ পৰা আংশিক সুফল লাভ কৰিব পাৰে যদিও টিকা লোৱাৰ উত্তম বয়স হৈছে ১১ বছৰৰ পৰা ১২ বছৰ। এইবিধ টিকাৰ কোনো পাৰ্শ্বক্ৰিয়াও নাই। আগতেই বহু খৰচী আছিল যদিও এতিয়া দাম বহু কম। বহুদেশত এইবিধ টিকা বিনামূলীয়াকৈ প্ৰদান কৰি প্ৰায় সংখ্যক যুৱতীকে সামৰি লোৱা হৈছে। আমাৰ দেশত ই এতিয়াও সম্ভৱ হৈ উঠা নাই। অদূৰ ভৱিষ্যতে (সাত পৃষ্ঠাত)

প্ৰথম পৃষ্ঠাৰ পৰা.....

## 'প্ৰতিশ্ৰুতি'ৰ স'তে আজীৱন কাম কৰি যাম

আহিল যে মই তেওঁলোকৰ ৰাজ্যিক কেন্সাৰ সজাগতা অভিযানৰ 'চেভ লাইভ ব্ৰেণ্ড এম্বেচাদৰ' হ'ব লাগে। যিহেতু এই 'প্ৰতিশ্ৰুতি'ৰ লগত জড়িত হ'লে মই সাংঘাটিকভাৱে নহ'লেও 'প্ৰতিশ্ৰুতি'ৰ যি প্ৰচেষ্টা; সেই যাত্ৰাত ময়ো সহযোগী হ'বলৈ পাই বা তেওঁলোকৰ যি উদ্দেশ্য, সেৱা ৰাইজৰ মাজলৈ আৰু বহলভাৱে লৈ যাব পাৰিম। কৰ্মব্যস্ততাৰ মাজতো যিমানদূৰ পাৰিছো সময় দিবলৈ ৰোগটোৰ সম্পৰ্কে সজাগতা আনিবলৈ চেষ্টা কৰি আহিছো। বিপদৰ সময়ত সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিৰে 'প্ৰতিশ্ৰুতি'ৰ সৈতে প্ৰতিশ্ৰুতিবদ্ধ মই ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ পাই অতি আনন্দিত। 'প্ৰতিশ্ৰুতি'ৰ সৈতে আজীৱন মই কাম কৰি যাম।

সমাজত 'প্ৰতিশ্ৰুতি'ৰ দৰে স্বেচ্ছাসেৱী সংগঠনে অতি উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। কেন্সাৰৰ সজাগতা, কেন্সাৰৰ স্ক্ৰীণিং, উপশমী চিকিৎসা সেৱা আদি বিষয়ৰ ওপৰত ৰাইজৰ মাজলৈ গৈ ৰাইজৰ মাজত সচেতনতা অনাৰ উপৰিও সেৱাও প্ৰদান কৰে। আমাৰ 'প্ৰতিশ্ৰুতি'ৰ স্বেচ্ছাসেৱকসকলে এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মই নিজেও বহুতো ৰোগীৰ লগত কথা পাতিছো। প্ৰতিটো খোজতে ৰোগী তথা তেওঁলোকৰ পৰিয়ালক সেৱা আগবঢ়ায় 'প্ৰতিশ্ৰুতি' য়ে। কেন্সাৰ সজাগতাৰ ক্ষেত্ৰত চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন তথা সমাজৰ প্ৰতিজন ব্যক্তি সজাগ হ'লেহে সমাজত এতিয়াও কেন্সাৰৰ ওপৰত থকা অন্ধবিশ্বাস, ভয় আদি নাইকিয়া কৰিব পৰা যাব।

অনাগত দিনত 'প্ৰতিশ্ৰুতি' য়ে আৰু অধিক সফলতাৰে কাম কৰি আগবাঢ়ি যাওঁক। কেন্সাৰ সজাগতাৰ অভিযানত এটা নিদৰ্শন দাঙি ধৰক। যিদৰে সমাজৰ বহুতো গণ্য-মান্য লোক স্বইচ্ছাৰে 'প্ৰতিশ্ৰুতি'ৰ লগত জড়িত হৈ আছে ভৱিষ্যতেও আৰু বহু লোক 'প্ৰতিশ্ৰুতি'ৰ এই যাত্ৰাত অংশীদাৰ হৈ 'প্ৰতিশ্ৰুতি'ৰ লগত হাতে-হাত ধৰি এই অভিযান আৰু অধিক জোৰদাৰ কৰক। শেষত 'প্ৰতিশ্ৰুতি'ৰ সকলোকে আন্তৰিক শুভেচ্ছা জনাইছোঁ। ●





## এটি প্ৰশংসাযোগ্য সেৱা



ড° নগেন শইকীয়া
প্ৰথিতযশা সাহিত্যিক, মুখ্য উপদেষ্টা, 'প্ৰতিশ্ৰুতি'

ডিব্ৰুগড়ৰ 'প্ৰতিশ্ৰুতি'য়ে বহুদিন জুৰি গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াই আহিছে কৰ্কট ৰোগাক্ৰান্ত ৰোগীসকলৰ। ৰোগীসকলৰ অৱস্থা বিনামূলীয়াকৈ চোৱা-চিতা কৰাৰ উপৰিও ৰোগীসকলৰ মনোবল বৃদ্ধিৰ বাবে আৰু কেনে প্ৰয়োজনীয় চিকিৎসা লোৱাৰ ব্যৱস্থা আছে সেইবিষয়ে অৱগত হ'বলৈ সুবিধা দি এই ৰোগৰ প্ৰতি থকা ভয় আঁতৰোৱাৰ বাবে আৱশ্যকীয় পৰামৰ্শও দান কৰে। তদুপৰি যিসকল ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰাৰ পাছতো ৰোগমুক্ত হোৱা নাই সেইসকলৰ মনতো যাতে ৰোগ প্ৰতিৰোধ কৰিবলৈ মনৰ শক্তি বঢ়াব পাৰি তাৰ ওপৰতো গুৰুত্ব দিয়ে। কেৱল সেয়ে নহয় ৰোগ চিনাক্তকৰণৰ ক্ষেত্ৰতো আৰু প্ৰাথমিক অৱস্থাত প্ৰয়োজনীয় প্ৰতিষেধক গ্ৰহণ কৰাৰ ক্ষেত্ৰতো গুৰুত্ব দি আহিছে। এই অনুষ্ঠানটিৰ মাজত ডিব্ৰুগড়ৰ বহুসংখ্যক চিকিৎসক আৰু সমাজসেৱীও জৰিত হৈ আছে। এই অনুষ্ঠানটিত জৰিত সকলোটিৰে সেৱাৰ মনোভাৱ নিঃসন্দেহে প্ৰশংসাৰ যোগ্য। মই 'প্ৰতিশ্ৰুতি'ৰ সুদীৰ্ঘ কৰ্মজীৱন আশা কৰি মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।●

## গুৱাহাটীত 'প্ৰতিশ্ৰুতি'ৰ কাম-কাজৰ চমু আলোকপাত

**অদিতি বৰুৱা, গুৱাহাটী ঃ** অসমৰ ৰাজধানী চহৰ গুৱাহাটীত একাংশ চিকিৎসক, সাংবাদিক আৰু শুভাকাংক্ষীৰে গঠিত 'প্ৰতিশ্ৰুতি'ৰ এটা বৃহৎ দল আছে। এই দলটোৱে 'প্ৰতিশ্ৰুতি'ৰ বেনাৰত জনসজাগতা, ৰোগীৰ চিকিৎসা, কেন্সাৰ ৰোগৰ পৰীক্ষণ, বৈদ্যুতিন মাধ্যমত সজাগতা সম্পৰ্কীয় আলোচনা, সাক্ষাৎকাৰ, পেলিয়েটিভ কেয়াৰ আদি সময়ে সময়ে অনুষ্ঠিত কৰি আহিছে। ২০২২-২০২৩ বৰ্ষত কেইবাটাও উল্লেখযোগ্য কাৰ্যসূচী গ্ৰহণ কৰা হয়। ২০২২ চনৰ অক্টোবৰ মাহত স্তন কেন্সাৰ সজাগতা মাহ উপলক্ষে গুৱাহাটীৰ ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ে আদৰ্শ গাঁও হিচাবে প্ৰতিপালন কৰা গড়চুকৰ ৰাণী শিক্ষাখণ্ডৰ অধীনৰ দেউছটাল প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত এখনি সজাগতা সভা আয়োজন কৰা হয়। উক্ত সভাত স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ দিপি আগৰৱালাই ভাষণত স্তন কেন্সাৰৰ বিষয়ে সবিস্তাৰে উল্লেখ কৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কেন্সাৰ সজাগতা বিষয়ক এখনি বাটৰ নাট প্ৰদৰ্শন কৰে। আনহাতে ২০২২ চনৰ ১১ ডিচেম্বৰত 'প্ৰতিশ্ৰুতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বটাঁ প্ৰদান অনুষ্ঠান' ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ত সম্পন্ন হয়। পুৱাৰ ভাগত কেন্সাৰ বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। বিয়লি পেলিয়েটিভ কেয়াৰৰ অগ্ৰণী চিকিৎসক মুম্বাইৰ কেভি গনপতি, বিশিষ্ট হেমাট'লজিষ্ট (তেজ) ৰ চিকিৎসক আৰু শেহতীয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৰাজহাড় পুনৰসংস্থাপন কৰি সফলতা লাভ কৰা ডাঃ জিনা ভট্টাচাৰ্যকে আদি কৰি চাৰি গৰাকী ব্যক্তিলৈ 'প্ৰতিশ্ৰুতি'ৰ তৰফৰ পৰা বটাঁ প্ৰদান কৰা হয়। আনহাতে ২০২৩ চনৰ ১ জুলাইত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস উপলক্ষ্যে গুৱাহাটীৰ আজাৰাস্থিত গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি কেন্সাৰ সজাগতা সভাৰ আয়োজন কৰা হয়। সভাত চিকিৎসক ক্ৰমে ডাঃ মৃদুল শৰ্মা (ডিঙি আৰু মূৰৰ কেন্সাৰ বিশেষজ্ঞ), ডাঃ দীনেশ গোস্বামী (পেলিয়েটিভ কেয়াৰৰ উত্তৰ পূৰ্বাঞ্চলৰ বাটকটীয়া) য়ে কেন্সাৰ আৰু আমাৰ স্বাস্থ্য সম্পৰ্কে আলোচনা আগবঢ়ায়। এই সময়ছোৱাত আমি এনেধৰণৰ কাৰ্যসূচীৰ জৰিয়তে সমাজৰ কিছুসংখ্যক লোকক হ'লেও স্বাস্থ্য সম্পৰ্কে সজাগ আৰু আৰোগ্য কৰিবলৈ সক্ষম হৈছো।●



## 'প্ৰতিশ্ৰুতি'য়ে বিশ্বৰ আগত এক বিৰল চানেকী তৈয়াৰ কৰি থৈ যাব

ডাঃ সঞ্জীৱ কাকতি, অধ্যক্ষ
অসম চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেল, ডিব্ৰুগড়

মানৱজাতিৰ সন্মুখত বহু প্ৰত্যাহ্বান আছে। তাৰ ভিতৰত মোৰ চক্ষুত ৰোগৰ প্ৰত্যাহ্বানটোৱেই প্ৰথম। তাৰ ভিতৰত কেন্সাৰেই প্ৰথম স্থান লাভ কৰিব। এই মানৱজাতিৰ কেন্সাৰ ৰোগৰ লগত যুঁজ যুগ যুগ ধৰি চলি আহিছে। কিছু কিছু দিশত সাফল্য লাভ কৰা হৈছে আৰু বহুত কৰিবলৈ বাকী আছে। এই ৰোগৰ প্ৰধান প্ৰত্যাহ্বান হল যে ইয়াক উপযুক্ত সময়ত ধৰা পেলোৱা আৰু তাৰ বিহিত চিকিৎসাৰ যোগাৰ কৰা বা তাক আৰম্ভ কৰা। এই চিকিৎসাৰ সমগ্ৰ কালছোৱাত ৰোগীজনৰ কাষত থাকি ৰোগীজনৰ ৰোগীজনক সকলো সময়তে সম্পুৰ্ণৰূপে প্ৰেৰণা যোগোৱাৰ লগতে ৰোগীৰ লগত তেওঁৰ পৰিয়ালবৰ্গৰ সমান্তৰালভাৱে বিভিন্ন দিশত সহযোগিতাৰ হাত আগবঢ়াই যাব লাগিব। এইটো এটা ডাঙৰ প্ৰত্যাহ্বান। তাৰোপৰি ডাঙৰ কথাটো হল-এই কৰ্কট ৰোগৰ বিষয়ে বহু ভ্ৰান্ত ধাৰণা আৰু অজ্ঞতা এই সমাজত এতিয়াও প্ৰচলিত। ৰাইজৰ মাজত এই ৰোগৰ সম্বন্ধে সজাগতা বহু পিছপৰি আছে। এই বিষয়ত আমাৰ কৰণীয় বহুত আছে। বিশেষভাৱে চিকিৎসা জগতত পেছাদাৰী হিচাপে যিসকলে কাম কৰি আছে সেইসকলৰ ইয়াত ভূমিকা অতিশয় বেছি। লগতে সমাজ সচেতন এটা দলক, একাংশ লোকক লগত লৈ প্ৰত্যাহ্বানমূলক যি কেন্সাৰৰ অৱস্থিতি তাক মুখামূখি হ'ব পৰাকৈ কিছু সংগঠনে সমগ্ৰ বিশ্বজুৰি কাম কৰি আহিছে। আমাৰ অঞ্চলটোত ৰাইজৰ মাজত এই সজাগতাৰ বহু অভাৱ। চিকিৎসাৰ ক্ষেত্ৰতো বহুত পিছপৰি আছিল। বৰ্তমান অৱশ্যে ইয়াৰ বহুখিনি উন্নতি হৈছে। কিন্তু ৰাইজৰ মাজত ইয়াৰ সজাগতাৰ সৃষ্টি কৰা, ৰোগৰ প্ৰাথমিক অৱস্থাত ধৰা পেলোৱা, ৰোগৰ প্ৰতিৰোধৰ কাৰণে ব্যৱস্থা চলোৱা আৰু ৰোগৰ সময়ছোৱাত ৰোগীৰ লগত সকলোৱে সমানে থিয় হৈ এই ৰোগৰ প্ৰতিৰোধৰ যাত্ৰা প্ৰক্ৰিয়াটো সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত এটা স্বেচ্ছাসেৱী অনুষ্ঠানৰ কথা আমি মনত পেলাবলৈ গ'লে উজনি অসমত পোনপ্ৰথমে আমাৰ ডিব্ৰুগড়ৰ 'প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট'ৰ কথা মনলৈ আহে। এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে যোৱা পাঁচটা বছৰ ধৰি যি সেৱা আগবঢ়াইছে সেয়া অতুলনীয় আৰু মই ভাৱো বিশ্বৰ আগত এক বিৰল চানেকী তৈয়াৰ কৰি থৈ যাব। এই অনুষ্ঠানটোৰ সদস্যবৃন্দ চিকিৎসকৰ পৰা আৰম্ভ কৰি চিকিৎসা সেৱাৰ লগত জৰিত মানুহৰ বাহিৰেও সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন পৰ্যায়ৰ লোক ইয়াত জৰিত হৈ আছে। তেওঁলোকে এটা বিশেষ ধৰণৰ এটা অনুষ্ঠান হিচাপে 'প্ৰতিশ্ৰুতি'ক গঢ়ি তুলিছে আৰু যি ৰাইজৰ মাজত পৰিকল্পিতভাৱে সময়ানুসৰি সজাগতাৰ সৃষ্টি কৰি আহিছে। বিভিন্ন স্থানত আৰু আমি যিটো কওঁ তৃণমূল পৰ্যায়তো কাম কৰিছে আৰু ৰোগীৰ লগত পোনপটীয়াভাৱে সম্পৰ্ক ৰাখিছে। যিসকল এই ৰোগত জয়ী হৈ বীৰ-বীৰাংগণা হৈছে তেওঁলোকেও এই অনুষ্ঠানত জৰিত হৈ সমাজৰ-ৰাইজৰ মাজত এক বিৰল চানেকী তৈয়াৰ কৰি প্ৰতীয়মান কৰিছে যে কেন্সাৰ ৰোগ মানেই 'শেষ' নহয়, ই অজেয় নহয়। ইয়াক জয় কৰিব পাৰি, জয় কৰাৰ কাৰণে লাগে এটা সবল মনোবল বা ব্যৱস্থা প্ৰণালী, সজাগতা আৰু এটা 'সমৰ্থন প্ৰদান ব্যৱস্থা যিটো এই অনুষ্ঠানটোৱে সমাজৰ আগত দাঙি ধৰিছে। অহা ৩ ডিচেম্বৰ তাৰিখে এই অনুষ্ঠানটোৱে ষষ্ঠ সংখ্যক জন্ম দিৱস পালন কৰিবলৈ ওলাইছে। মই মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো যাতে তেওঁলোকে সমাজৰ প্ৰতি যি দায়বদ্ধতা বা চিনাকি দিছে তাত ফলপ্ৰসূ হয় আৰু আগন্তুক দিনবোৰত এই কেন্সাৰ ৰোগৰ সজাগতা আৰু ইয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত যিখিনি কাম কৰি আহিছে সেইখিনিত তেওঁলোক এটা উচ্চ শিখৰত আৰোহন কৰিব পাৰে আৰু বিশ্বমানসত তেওঁলোকে আৰু উজ্জল প্ৰতিচ্ছবি দাঙি ধৰিব পাৰে। মই 'প্ৰতিশ্ৰুতি'ৰ স'তে জৰিত সকলোকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।●

# PRATISHRUTI CONSULTANT TEAM

One of the Core strength of Pratishruti Free Services are bestowed on to honorary Consultation of Doctors

### Consultant Advisory Board

Dr. Chidananda Bhuyan, Guwahati
Dr. Sanjeeb Kakati, Dibrugarh
Dr. Jina Bhattacharyya, Guwahati
Dr. Pranay Phukan, Dibrugarh
Dr. Hemonta Dutta, Dibrugarh

### Gynaecology

Dr. Dhurjyoti Nandan Das, Dibrugarh
Dr. Pankaj Deka, Guwahati
Dr. Bipul Deka, Guwahati
Dr. Amiya Kachari, Lakhimpur

### Onco-imaging

Dr. Rudra Kanta Gogoi, Dibrugarh
Dr. Pronami Bora, Dibrugarh
Dr. Deba Kumar Baruah, Tezpur

### Radiation Oncology

Dr. Gautam Sarma, Guwahati

### Surgery & Surgical Oncology

Dr. Ramesh Saharia, Dibrugarh
Dr. Gunabhi Ram Das, Dibrugarh
Dr. Gaurav Das, Guwahati
Dr. Dilip Killing, Dibrugarh
Dr. Bihari Agarwal, Jorhat

### Neuro Surgery

Dr. Nitu Kr. Das, Guwahati
Dr. Dhrubajyoti Kurmi, Dibrugarh

### Dermatology

Dr. Debojit Dutta, Dibrugarh

### Dental Surgery

Dr. Siddharth Sharma, Dibrugarh
Dr. Pratyushman Hazarika, Dibrugarh
Dr. Samudra Dev Sarma, Sivsagar

### Medicine

Dr. Pranjal Dutta, Dibrugarh
Dr. Mriganka Baruah, Dibrugarh
Dr. Anil Kalita, Dibrugarh

### Medical Oncology

Dr. Kunjahari Medhi, Delhi
Dr. Sumit Goyal, Delhi
Dr. Anupam Mahanta, Guwahati

### Head and Neck Oncology

Dr. Ashok Das, Guwahati

### Paediatric Oncology

Dr. Jolly Rabha, Dibrugarh

### Nuclear Medicine

Dr. Sandeep Taparia, Guwahati

### Haemotology

Dr. Asif Iqbal, Guwahati

### Psychology

Dr. Dhrubajyoti Bhuyan, Dibrugarh
Dr. Kavery Borah, Dibrugarh

### Palliative Care

Dr. Kabindra Bhagawati, Guwahati
Dr. Arun Deka, Guwahati

### Laboratory Medicine

Dr. Mondita Borgohain, Dibrugarh
Dr. Malabika Saikia, Dibrugarh
Dr. Anupam Sarma, Guwahati

### Research Pannel

Dr. Rashmi Ahmed, Lakhimpur
Dr. Upam Kr. Sarma, Dibrugarh
Dr. Anjanjyoti Rajkonwar, Dibrugarh

### Pharmacy

Dr. Jibon Gogoi, Dibrugarh

### Nutrition & Diet Consultant

Mrs. Lukima Baruah, Dibrugarh

### Physiotherapy Consultant

Mr. Wasim Haque, Dibrugarh.

# Supporting Organizations

Praishruti believes in networking with like minded organizations to make a better impact of its services. To overcome the tremendous challenges in the areas of cancer care and support, joining hands with other professional, non professional organizations, government and non government organizations is a feasible option for betterment of services and to reach out to larger, needy and weaker sections of the society.

- State Bank of India (Administrative Office, Dibrugarh)
- Assam Police
- Dr. B. Barooah Cancer Institute (BBCI), Guwahati
- Deepsikha Foundation
- District Health Society, DBR
- Milan Jyoti Sangha, Dibrugarh
- Dibrugarh Zila Mahila Samiti
- AASU, Dibrugarh
- Lions Club of Brahamputra Valley, Dibrugarh
- MGM Hospitals (Cancer Treatment and Consultation)
- Sruti Shilpi Samaj, Dibrugarh
- Anayan : The Habit, Dibrugarh
- Guwahati Pain & Palliative Care Society, Guwahati
- Matrix Polyclinic & Advance Diagnostic Centre, Sivasagar
- DHSK College, Dibrugarh
- Nucleomed Imaging and Diagnostic, Guwahati
- Health City Hospital, Guwahati
- Indian Medical Association (IMA), Assam, State Branch
- Red Cross Society, Margherita Sub-Dist. Branch
- Assocaition of Oncology of North East India (AONEI)
- Medicare Diagnostics & Hospital, Dibrugarh
- H.M. Hospital & Diagnostic Centre, Dibrugarh

### Media Partners

- Prag News Assam
- Pratidin Time
- Amar Asom
- Asom Aditya
- Dibrugarh Press Club
- Greater Dibrugarh Press Club



*তিনি পৃষ্ঠাৰ পৰা*

## কানিৰ পৰা ধঁপাতলৈ

যেতিয়াই ধঁপাত খাবলৈ এৰি দিব তেতিয়াৰ পৰাই এনেধৰণৰ ধঁপাতজনিত ৰোগ হোৱাৰ সম্ভাবনা কমি আহে। যুগৰ প্ৰত্যাহ্বান, সামাজিক শত্ৰু এই ধঁপাতৰ ব্যৱহাৰক যেতিয়ালৈকে আমি সামাজিক আৰু ৰাজহুৱাভাৱে ত্যাগ কৰিব নোৱাৰোঁ, ঘৰলৈ অহা অভ্যাগতক তামোল-পাণৰ লগত চুণে-ধঁপাতে খাবলৈ দিয়া পৰম্পৰাক যেতিয়ালৈকে বৰ্জন কৰিব নোৱাৰোঁ তেতিয়ালৈকে কিন্তু আমি এই ধঁপাতৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হ'ব নোৱাৰোঁ।

আমি মানি ল'ব নিবিচাৰোঁ যে, ধঁপাত এক নিচা, আমি জানিব লাগিব যে ধঁপাতত থকা 'নিকটিন' নামৰ নিচাযুক্ত পদাৰ্থবিধ মদতকৈও হেজাৰগুণ আসক্তি কৰিব পাৰে। এজন ছাত্ৰই যদি এই ধঁপাত আসক্তিত নিমজ্জিত হয়, তেনেহ'লে ধপাতৰ ব্যৱসায়ীসকলে জীৱনজোৰা ধঁপাত ব্যৱহাৰ কৰা গ্ৰাহকক লাভ কৰে। সেয়ে আমি কেতিয়াও কোনো দিনে ভুলতো ধঁপাত ব্যৱহাৰ কৰিব নালাগে। ব্যৱহাৰকাৰীসকলেও নিজে মানসিকভাৱে এক সবল স্থিতি গ্ৰহণ কৰি লাহে লাহে (Tappering off slowly) বা হঠাতে (cold-turky) ৰাজহুৱাভাৱে ধঁপাত ত্যাগ কৰিব লাগে। প্ৰথম অৱস্থাত ধঁপাত এৰি দিলে অলপ আসক্তিজনিত পাৰ্শ্বপ্ৰতিক্ৰিয়া withdrowal symtom হয় যদিও কিছু দিনৰ ভিতৰতে ই নাইকিয়া হৈ পৰে।

**প্ৰত্যাহান ঃ** আমাৰ সমাজত নিচাৰ ব্যৱহাৰ বা নিচাৰ প্ৰতি থাকিবলগা মানসিক স্থিতি আমাৰ ঘৰখনতেই আৰম্ভ হয়। সতি-সন্ততিসকলে যেতিয়াই ঘৰলৈ অহা অভ্যাগতক তামোলৰ লগত ধঁপাত খাবলৈ দিয়া নিৰীক্ষণ কৰে, তেতিয়াই ধঁপাতক এক সন্মানজনক দ্ৰব্য হিচাপে ভাৱিবলৈ আৰম্ভ কৰে। ঘৰখনৰ সম্পৰ্কীয় লোকসকলে ধঁপাত খোৱা দেখি সময় সুযোগ অনুসৰি অনুকৰণ, কৰি এৰাব নোৱৰাকৈ আসক্ত হৈ পৰে। পৰৱৰ্তী পৰ্যায়ত যেতিয়াই লগৰ সমনীয়াই চাদা, গুটখা বা চিগাৰেট খাবলৈ যাচে (pearstress) তাক প্ৰত্যাখ্যান কৰাৰ সবল মানসিক স্থিতিৰ অভাৱ হয়। যিসকলৰ সতি-সন্তানে চতুৰ্থ বা পঞ্চম শ্ৰেণীতে ঘৰতেই হওক বা সমনীয়াৰ সৈতেই হওক ধঁপাত খাবলৈ শিকে সেই সন্তানেই কিন্তু পৰৱৰ্তী পৰ্যায়ত মদ, ভাং বা অন্যান্য কানিৰ পৰা প্ৰস্তুত অত্যাধুনিক নিচাত আসক্ত হৈ পৰে।

আজিৰ যুগত ইন্টাৰনেট মাৰ্কেটিং আৰু যাতায়াতৰ সুব্যৱস্থাই পৃথিৱীখনক এখন সৰু গাঁৱত পৰিণত কৰিছে। সেয়েহে আমি এতিয়া দক্ষিণ আমেৰিকাৰ নিচিনা দূৰত্বত অৱস্থিত দেশত ক'কেইন' জাতীয় প্ৰস্তুত হোৱা অতি আসক্তি সৃষ্টি কৰা নিচা আমাৰ দেশতো সহজতে চোৰাং ব্যৱসায়ী (Drugs Paddler) সকলে বিক্ৰী কৰি আহিছে। ম্যানমাৰ আফগানিস্থান আদি দেশত উৎপন্ন হোৱা কানি বা কানিৰ পৰা প্ৰস্তুত কৰা মৰফিন, হিৰ'ইন নামৰ নিচাও আমাৰ দেশলৈ চোৰাংকৈ আমদানি হৈছে। এই ক্ষেত্ৰত বৰ্তমানৰ অসম চৰকাৰ, পুলিচ প্ৰশাসনৰ সৱল স্থিতিয়ে কিছু পৰিমাণে হ'লেও এই চোৰাং ব্যৱসায়ীসকলক মাধমাৰ শোধাইছে। চোৰাংকৈ ব্যৱহৃত হোৱা নিচাসমূহ হ'ল

১) নাৰ্কটিক এনালজেচিক ঃ কানি (Opiam) বা কানিৰ পৰা প্ৰস্তুত কৰা দ্ৰব্যসমূহ যেনে- মৰফিন, হিৰ'ইন আদি।

২) উত্তেজনা সৃষ্টিকাৰী ঃ ক'কেইন, কেফেইন বা এমফিটামিন ইত্যাদি।

৩) অৱসাদ সৃষ্টিকাৰী ঃ মদ বা এলজলাম, ডাইজিপামৰ নিচিনা দৰৱসমূহ

৪) ভ্ৰম সৃষ্টিকাৰী ঃ এল.এছ.ডি বা চিল'চাইবিন আদি।

৫)বিভ্ৰান্ত সৃষ্টি কৰিব পৰা ঃ কেতামাইন (ketgamain)

৬) ভাং বা ভাঙৰ পৰা প্ৰস্তুত কৰা হাচিচ বা গাঞ্জা

৭) ভলেটাইল দ্ৰব্যসমূহ ঃ ভলেটাইল চ'লভেন্টচ বা অন্যান্য আঠাসমূহ।

৮) কাঁহ বা এলাৰ্জীৰ বাবে চিকিৎসা কৰা দ্ৰব্যসমূহ বা anti depressant drugs.

৯) নিকটিন ঃ ধঁপাতৰ পৰা আহৰিত দ্ৰব্য।

যদিহে আমি আমাৰ ঘৰখনৰ মাক-দেউতাক বা পৰিয়ালৰ কোনো সদস্যই, স্কুলৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে ধঁপাত ব্যৱহাৰ নকৰে, তেনেহ'লেচোন এখন ঘৰৰ বা স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে নিচাবিৰোধী সবল মানসিক স্থিতি গ্ৰহণ কৰিব। এনে ঘৰ, স্কুল বা পৰিৱেশেই আমাক নিচামুক্ত গাঁও বা চহৰ বা দেশৰ আধাৰ হৈ পৰিব। আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক এখন নিচামুক্ত সমাজ দিবৰ বাবে ঘৰলৈ অহা আলহীক ধঁপাত দি অপ্যায়িত কৰা সামাজিক ৰীতিৰ বিৰুদ্ধে প্ৰবল জনমত সৃষ্টি কৰি মাৰ বান্ধি থিয় দিব লাগিব।

আমাৰ দেশৰ চৰকাৰে ড্ৰাগচৰ ব্যৱহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিছে আৰু ঠাই বিশেষে সফল প্ৰয়োগো হৈছে। ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ আইন (COTPA-2003)ৰ যোগেদি ধঁপাতৰ ব্যৱহাৰ নিয়ন্ত্ৰণৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

ধঁপাতমুক্ত বিদ্যালয়ৰ পৰিকল্পনাই ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ আঁচনিৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিলক্ষিত হৈছে। কিন্তু যেতিয়ালৈকে নেকি আমি আমাৰ নিজৰ নিচাক মুক্তভাৱে ব্যৱহাৰ কৰি থাকিম, তেতিয়ালৈকে কোনো আইনেই আমাৰ উঠি অহা প্ৰজন্মক নিচাৰ কঁৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিব নোৱাৰিব।●

## 'প্ৰতিশ্ৰুতি'ৰ স'তে যুক্ত ৰোগীৰ অভিমত

এই বছৰৰ (২০২৩) জুন মাহত মোৰ কেন্সাৰ ধৰা পৰে। দিন হাজিৰা কৰো। আৰ্থিক অৱস্থা ভাল নহয়। মোৰ কেন্সাৰ হৈছে বুলি গম পোৱাৰ পিছত গাঁৱৰ মানুহ আমাৰ ঘৰলৈ নহা হ'ল। টকা-পইচা আৰু উচিত পৰামৰ্শৰ অভাৱত মোৰ চিকিৎসা আৰম্ভ হোৱা নাছিল। তেতিয়া গাঁৱৰে দাদা এজনে মোৰ 'প্ৰতিশ্ৰুতি'ৰ ফোন নম্বৰ দিলে। মই ফোন কৰিলো। ফোনতে বাইদেউৱে মোক সকলোখিনি সুন্দৰকৈ বুজাই দিছিল আৰু চিন্তা কৰিবলৈ মানা কৰিছিল। ১১ জুনত 'প্ৰতিশ্ৰুতি'ৰ গুৱাহাটীৰ সীমা দেৱী হক বাইদেউৱে মোক ফোন কৰিলে। 'প্ৰতিশ্ৰুতি'ৰ বাইদেউসকলে মোক গুৱাহাটীৰ State Cancer Institute ৰ ডাঃ মৃদুল শৰ্মা ছাৰলৈ এখন চিঠি লিখি দিলে আৰু আমাক ছাৰক লগ কৰিবলৈ ক'লে। ছাৰক লগ কৰাৰ দিনাই আমাক এডমিট কৰিলে আৰু চিকিৎসা আৰম্ভ হ'ল। চিকিৎসাৰ সময়ত আমাক টকা-পইচা দি 'আপনা ঘৰ'ত বিনামূলীয়াকৈ থকাৰ ব্যৱস্থাও 'প্ৰতিশ্ৰুতি'য়ে কৰি দিছিল। খোৱা-বোৱাৰ ওপৰতো তেওঁলোকে সুন্দৰকৈ বুজাই দিছিল। সীমা বাইদেউৱে নিয়মীয়াকৈ খবৰ লৈ আছিল আৰু সকলো সময়তে আমাক মানসিক শক্তি দি আছিল। 'প্ৰতিশ্ৰুতি'ৰ বাবেই মোৰ চিকিৎসা সম্পূৰ্ণ হ'ল আৰু মই এতিয়া আগতকৈ সুস্থ। 'প্ৰতিশ্ৰুতি'ৰ প্ৰতি মই সদায়েই কৃতজ্ঞ। এইছেগতে 'প্ৰতিশ্ৰুতিৰ উন্নতি কামনা কৰিলোঁ।

**● শ্বাহজাহান আলী,**
*মৰিগাঁও*

## 'প্ৰতিশ্ৰুতি' আৰু অনুভৱ

**ডাঃ প্ৰবীন ঠাকুৰ**
**কনচালটেণ্ট, 'প্ৰতিশ্ৰুতি', ডিব্ৰুগড়**

কৰ্কট ৰোগ আৰু অন্যান্য দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীসকলক ঘৰতে উপলব্ধ হোৱাকৈ উপশমী চিকিৎসা প্ৰদান কৰাটোৱেই 'প্ৰতিশ্ৰুতি'ৰ লক্ষ্য। প্ৰধানকৈ স্বেচ্ছাসেৱিকা আৰু কিছুসংখ্যক স্বেচ্ছাসেৱকক লৈ গঠিত আমাৰ এই গোটটোৱে বিভিন্ন সময়ত বিভিন্ন ঠাইত আমাৰ পঞ্জীভুক্ত ৰোগীসকলৰ ঘৰলৈ গৈ নানান দিহা-পৰামৰ্শ আৰু সাহাৰ্য্য প্ৰদান কৰাৰ লগতে পৰিয়াল আৰু আন আত্মীয়সকলৰ স'তে এক সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰে। আমাৰো তেনে কিছু অভিজ্ঞতা প্ৰকাশৰ চেষ্টা কৰিছো।

**প্ৰেক্ষাপট-১ ঃ** ডিব্ৰুগড় চহৰৰ মোহনাঘাটত পান্না আৰু অস্মিতা আমি কিছুদূৰ মঠাউৰিয়েদি গৈ এডাল বাঁহৰ সাঁকোৱেদি তললৈ নামি গৈ এঘৰত উঠিলোগৈ। আগতে খবৰ দি থোৱা আছিল। মহিলা ৰোগীগৰাকী মুখগহ্বৰৰ কৰ্কট ৰোগ। বেমাৰ যথেষ্ট আগবাঢ়িছে। ঘাঁডোখৰ বাহিৰলৈ ফুলকবিৰ দৰে বাহিৰ ওলাই আহিছে। মেডিকেল চিকিৎসা লৈ আছিল। পৰিয়ালৰ সকলোৰে লগতে কথা-বতৰা হ'লো আৰু চিকিৎসা আগবঢ়াই নিয়াৰ কথা ক'লো। গিৰিয়েক ল'ৰাটোৰ সৈতে ৰাতিপুৱা নৈত মাছ ধৰিবলৈ যায় আৰু আবেলি আলিৰ মূৰত বিক্ৰী কৰে। আমি যাওঁতে আহি পোৱা নাছিল। বোৱাৰীয়েকে সৰু দোকান এখন দিয়ে আৰু তায়েই শাহুৱেকক চোৱা-চিতা কৰে। আমি ঘাঁডোখৰ বাহিৰে ভিতৰে পৰীক্ষা কৰিলো আৰু কেনেকৈ পৰিস্কাৰকৈ ৰাখিব লাগে তাৰ বিধান দিলো। আমি এগৰাকী পৰিচাৰিকা যোগাৰ কৰি দিছো যিয়েনেকি দৈনিক এই ঘাঁডোখৰ চাফা কৰে। লগত লৈ যোৱা কিছু ঔষধ আৰু অলপ নগদ টকা দি বিদায় ল'লো।

**প্ৰেক্ষাপট-২ ঃ** টেঙাখাতৰ এখন ভিতৰুৱা গাঁও। দীপালি শইকীয়া, পদুমপোনা বৰুৱা আদিকে কৰি আমি কেইজনমান এজন লিউকেমিয়াত ভুগি থকা ৰোগীৰ ঘৰ পালোগৈ। এটি ১৫-১৬ বছৰমান বয়সীয়া অদম্য সাহসী আৰু অতি যোগাত্মক ভাৱৰ ল'ৰাটোৰ পঢ়িবলৈ বৰ মন। একাদশ শ্ৰেণীৰ ছাত্ৰ সি। ইফালে তাৰ চিকিৎসাত ব্যাঘাট হৈছে টকা-পইছাৰ অভাৱৰ বাবে। ইতিমধ্যে মাক-বাপেকেও তাৰ চিকিৎসাৰ বাবদ মাটি আদিও বেচি এতিয়া অপাৰগতা ব্যক্ত কৰিছে। বাপেকে সাধাৰণ মিস্ত্ৰীৰ কাম কৰে। আমি তেওঁলোকক বুজালো—ল'ৰাটোৰ চিকিৎসা কিমানযে জৰুৰী। শেহত আমি তেওঁলোকক মান্তি কৰাই কেন্সাৰ কেয়াৰ হস্পিটেলত ভৰ্তি কৰাৰ দিহা কৰিলো। তাতেই আমাৰ এগৰাকী সেৱিকাই ল'ৰাটোক তাৰ প্ৰয়োজনীয় কিতাপখিনি দিম বুলি আশ্বাস দিলে আৰু পিছত সি হস্পিটেলত সেই কিতাপখিনি চাই থকা আৰু পঢ়ি থকাৰ দৃশ্যটো এক বুজাব নোৱৰা অনুভৱ।

**প্ৰেক্ষাপট-৩ ঃ** টেঙাখাতৰে আগলৈ এখন অতি ভিতৰুৱা গাঁও। ৰোগী প্ৰায় চল্লিশ বছৰমান বয়সৰ। খাদ্যনলীত কৰ্কট ৰোগত আক্ৰান্ত। মুখেৰে খাব নোৱৰা অৱস্থা। নাকেৰে পাইপ দি থোৱা আছে। **(দহ পৃষ্ঠাত)**

*প্ৰথম পৃষ্ঠাৰ পৰা...*

# সন্তৰ সংগত সুবাসনা ঃ ‘প্ৰতিশ্ৰুতি’ সমাজ

মানৱ সমাজৰ দুখ কষ্ট, সমস্যা, যন্ত্ৰণা কম হোৱা নাই। প্ৰকৃতিসৃষ্ট দুৰ্যোগ, মানুহৰ ফ্ৰাংকেনষ্টাইন সদৃশ পাৰিৱেশিক দুৰ্যোগৰ উপৰিও শাৰিৰীক দুৰ্যোগৰ কৱলত পৰি মানুহে অলেখ দুখ, ক্লেশ, কষ্ট নিতৌ ভোগ কৰিবলগা হৈছে। এনে শাৰীৰিক, মানসিক ক্লেশৰ এক অন্যতম কাৰক হল কৰ্কট ৰোগ। এইটো কাৰকেও প্ৰতি দিনাই বহু ব্যক্তি বহু পৰিয়ালক শাৰিৰীক-মানসিক দুয়োটা দিশতে জুৰুলা কৰি আহিছে।

‘সন্তৰ সংগত সুবাসনা’ বুলি এষাৰ বাক্য সমাজত প্ৰচলিত আছে। সুবাসনানো কি? অন্তৰ, মন, চিত্তই মানৱ সমাজৰ, জীৱ জগতৰ হিত সাধন হোৱাকৈ যি চিন্তা কৰে, যি কথা ভাৱে সেয়াই সুবাসনা। তেনে হিতকৰ কাম বা পৰোপকাৰৰ কাম যি কৰা হয় সেয়াই সুবাসনাৰ ফল। কৰ্কট ৰোগৰ প্ৰসাৰত বাধা দিয়া, কৰ্কট ৰোগী বা ৰোগীৰ পৰিয়ালক অন্ধকাৰত পৰি দিক্‌বিদিক হেৰুওৱা অৱস্থাত পোহৰৰ পথৰ সন্ধান দিয়া, শাৰিৰীক মানসিক দুৰৱস্থাৰ পৰা উদ্ধাৰৰ চেষ্টা কৰাও এনে সুবাসনাৰে ফল। প্ৰতিশ্ৰুতি কেন্সাৰ ও পেলিয়েটিভ ট্ৰাষ্টে এনে এক সুবাসনাৰে উদ্বুদ্ধ হৈ কেন্সাৰ ৰোগৰ বিৰুদ্ধে অহৰহ যুদ্ধ কৰি আহিছে। বহু দুখ কষ্টেৰে পীড়িত লোকক মানসিক-শাৰীৰিক সকাহ দিয়াৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টা চলাই আছে।

এই প্ৰচেষ্টাত ভাগ লোৱা, পৰৰ হিতৰ সুবাসনাৰে নিজকে উদ্ভাসিত কৰা লোকসকলেই হল সন্ত। ‘প্ৰতিশ্ৰুতি’ৰ দাতাসকল এই সন্ত বাহিনীৰ আজিৰ যুগৰ মূৰ্তমান ৰূপ। তেখেতসকলৰ সুবাসনাই ‘প্ৰতিশ্ৰুতি’ৰ সকলো কৰ্মৰ মুল চালিকা শক্তি। ‘প্ৰতিশ্ৰুতি’ৰ দাতাসকলে কোনোদিনে নিজকে লোকচক্ষুত এক জনহিতকৰ কামৰ অংশীদাৰ বুলি জাহিৰ কৰিবলৈ বিচৰা নাই। তেখেতসকল হৈছে কৰ্কট ৰোগৰ দৰে সমাজক অস্থিৰ কৰি ৰখা এক সৰ্বনাশী ব্যাধিৰ বিৰুদ্ধে চলি থকা যুজৰ পৰম শক্তিমন্ত অদৃশ্য সৈনিক। কৰ্কট ৰোগীয়েই নহয়, কৰ্কট ৰোগীৰ পৰিয়াল আৰু কোনো কোনো ৰোগীৰ সন্তানকো ‘প্ৰতিশ্ৰুতি’ৰ দাতাসকলৰ মৰম চেনেহ সহানুভূতিয়ে চুই গৈছে, জীয়াই থকাৰ পথটো কিছু হলেও সুগম হোৱাত সহায় কৰিছে। দাতাসকলৰ আৰ্থিক সহায়ক মুলধন কৰিয়েই ‘প্ৰতিশ্ৰুতি’ৰ কৰ্মী, স্বেচ্ছাসেৱক সকলে ৰোগটোৰ বিৰুদ্ধে অহৰহ সংগ্ৰাম কৰি আহিছে। ৰাইজক সজাগ কৰিবলৈ চেষ্টা কৰিছে, বহুলোকৰ মনত থকা অন্ধবিশ্বাস দুৰ কৰিবলৈ প্ৰচেষ্টা চলাই আছে, ৰোগীক সহায়-সাহাৰ্য্য আগবঢ়াইছে। এইসকলো সন্ত বাহিনীৰে একো একোজন সদস্য। আৰ্তজনৰ সেৱা আগবঢ়োৱাতো বাস্তৱিকতে এটা অতি কষ্টসাধ্য কাম। সমসাসমুহৰ অলেখ নাম। আৰ্থিক, সামাজিক, মানসিক, শাৰীৰিক, অলেখ সমস্যা। কিছুমান সমাধা কৰিব পৰা, কিছু নোৱৰা। মৃত্যুমুখলৈ আগবঢ়া এজন ৰোগীক আৰু তেওঁৰ লগত থকা পৰিয়ালক মানসিকভাৱে মনোবল যোগোৱা আৰু কায়িকভাৱে সেৱা আগবঢ়োৱা বৰ দুৰূহ কাম। কিন্তু এই সন্ত সমাজখনে এনে কঠিন বা জটিল কামকো সহজ কৰিবলৈ দুনিৰ্বাৰ চেষ্টা কৰি আছে আৰু সফলো হৈছে।



শেনছোৱা পুখুৰীত ‘প্ৰতিশ্ৰুতি’ৰ ‘চেল্ফ ব্ৰেষ্ট এগ্‌জামিনেশ্বন প্ৰকল্প উন্মোচনৰ মুহূৰ্তত

এই সকল সন্তৰ সুবাসনাই আমাক সকলোকে সুগন্ধি ফুলৰ সুঘ্ৰাণে আছন্ন কৰাৰ দৰে আছন্ন কৰি ৰাখিছে আৰু এক আত্মিক সুখৰ সন্ধান দিছে। আহকচোন সকলোৱেই এই সুবাসনাক আঁকোৱালি লওঁ আৰু আন দহজনকো ইয়াৰ সন্ধান দিওঁ। সকলোৱে সদিচ্ছা আৰু শক্তিৰে আহক আমি একগোট হৈ কৰ্কট দানৱৰ বিৰুদ্ধে এঘড়ী যুঁজি চাওঁ। ●

# PRATISHRUTI AWARDS AND HONOURS

Foundation Day Celebration is traditionally observed by honouring exemplary and dintinguished services and contribution of individuals and organizations towards Cancer treatment support and Palliative Care. The awards and receipients are as follows :

**Dr. Heremba Kr. Bharali Memorial Award for Outstanding service in Cancer Care**
2020: Dr. Tapan Saikia
2021: Dr. Ravi Kannan
2022: Dr. Jina Bhattacharyya
2023: Dr. Bibhash Ch. Goswami

**Dr. Prahlad Kr. Baruah Memorial Award for Dedicated Service In Palliative Care**
2020: Pain & Palliative Care Unit, Sate Cancer Institute, Guwahati
2021: Dr. Aroop Roy Burman
2022: Dr. K. V. Ganpathy

**Ashwini Charan Choudhury Memorial Award For Pioneer in Cancer Social Service**
2020: Makon Bala Dutta Memorial Children's Cancer Trust, Dibrugarh
2021: Pallav Gopal Jha
2022: Dr. Bhaktimay Bhattacharyya
2023: Shipra Bhattacharjee

**D.K. Gogoi Shastri Memorial Award For Leadership in Palliative Home Care**
2020: Palliative Home Care Unit, Cachar Cancer Hospital & Research Centre, Silchar
2021: Digboi Pain & Palliative Care Society, Digboi
2022: Dr. G.S. Borgohain
2023: Shija Hospital & Research Institute, Imphal, Manipur

## Pratishruti Internal Category Awards for Best Contribution in the Year-2023

These awards are given to acknowledge significant contribution by Pratishruti Members. This is also to inspire members to contribute to the growth of Pratishruti in the future.

**A. The Most Contributing Consultant 2023**
- Dr. Prabin Ch. Thakur
- Dr. Gaurangie Gogoi
- Dr. Pradeep Kr. Saikia
- Dr. Malavika Saikia
- Dr. Sandeep Taparia

**B. Special Award For Appreciation 2023**
- Dr. Sanghamitra Bora
- Dr. Uma Shankar Kutum

**C. The Most Resourceful Member 2023**
- Mrs. Musfi Rahman Hazarika
- Mrs. Munmi Phukan

**D. Donor of the Year 2023**
- Mrs. Moushumee Kakati
- Mrs. Sakti Kataki Bhattacharyya

**E. Best Palliative Volunteer 2023**
- Mrs. Seema Devi Haque

**F. Best Supporting Organization -2023**
- Indian Medical Association (IMA), Assam State Branch

**G. Pratishruti Special Media Award 2023**
- Mrs. Nabanita Kalita

**H. Health Worker of the Year 2023**
- Mr. Deva Kakati

**I. Pratishruti Yuddha Award 2023**
- Mrs. Jina Rajkumari

**J. Best Volunteer Award-2023**
- Mrs. Karabi Hazarika



*চাৰি পৃষ্ঠাৰ পৰা...*

# জৰায়ু গ্ৰীৱাৰ কৰ্কটৰোগ

ৰাষ্ট্ৰীয় টিকাকৰণ ব্যৱস্থাৰ অধীনত ইয়াক বাধ্যতামূলক কৰি সকলো শ্ৰেণীৰ যুৱতীক সামৰি ল'ব পাৰিলে আমিও এইবিধ কৰ্কট ৰোগৰ বিৰুদ্ধে কৰি থকা যুদ্ধখনত জয়ী হ'ব পাৰিম।

আমাৰ দেশত বিভিন্ন ধৰণৰ কৰ্কটৰোগৰ পৰা মৃত্যুক সাৱটি লোৱা মহিলাসকলৰ ভিতৰত জৰায়ু গ্ৰীৱাৰ কৰ্কটৰোগে এক নম্বৰত স্থান পাইছে। আমাৰ অজ্ঞতা আৰু সজাগতাৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ। কিন্তু ই এক প্ৰতিৰোধ কৰিব পৰা কৰ্কট ৰোগ (Preventable Cancer)। কল্পোস্কপী, পেপ্‌টেষ্ট ইত্যাদিৰ দ্বাৰা অতি সহজে এই ৰোগ দুৰাৰোগ্য হোৱাৰ আগতে ধৰা পেলাব পাৰি আৰু উপযুক্ত চিকিৎসাৰ সহায়ত ৰোগ নিৰ্মূল কৰিব পাৰি। এই সাধাৰণ কথাখিনি আমাৰ সকলো মহিলাই জনা উচিত। তাৰোপৰি অভিভাৱকসকল সজাগ হৈ উপযুক্ত বয়সত নিজৰ ছোৱালীক প্ৰতিষেধক দিয়াই এই কৰ্কট ৰোগ হোৱাৰ পৰা দূৰত থাকিব পাৰে। মাথো প্ৰয়োজন আমাৰ সজাগতা আৰু সদিচ্ছাৰ। এই কৰ্কট ৰোগৰ ভয়াবহতা, সামাজিক আৰু আৰ্থিক দিশত ঋণাত্মক প্ৰভাৱলৈ চাই চৰকাৰৰ ফালৰ পৰা বহুখিনি কৰিবলগীয়া আছে। বিশ্বৰ আন কিছুমান দেশৰ দৰে ৰাষ্ট্ৰীয় প্ৰতিষেধক ব্যৱস্থাৰ অধীনত এইবিধ প্ৰতিষেধকক অন্তৰ্ভুক্ত কৰিলে প্ৰতিগৰাকী যুৱতীক উপযুক্ত বয়সত সফল টিকাকৰণ কৰিব পাৰিলে আমি নিশ্চয় এই ৰোগ প্ৰতিৰোধ কৰিব পাৰিম।

মহিলা গৰাকীয়ে হ'ল একো একোটা পৰিয়ালৰ মূল চালিকা শক্তি। ৰুগীয়া মহিলা এক সুস্থ পৰিয়ালৰ কথা চিন্তা কৰাটো অমূলক। এটা সুস্থ পৰিয়াল, এখন সুস্থ সমাজ, সুস্থ ৰাজ্য আৰু সুস্থ এখন দেশ এটা আনটোৰ লগত ওতঃপ্ৰোতভাবে জড়িত। সেইবাবে সমাজৰ প্ৰতিগৰাকী মহিলাৰ সুস্বাস্থ্য আমাৰ সমাজৰ প্ৰথম আৰু প্ৰধান দায়িত্ব। ●

*প্ৰথম পৃষ্ঠাৰ পৰা...*

# ষষ্ঠ বৰ্ষত ‘প্ৰতিশ্ৰুতি’

ধন্যবাদ আৰু কৃতজ্ঞতা। ২০২৩ বৰ্ষত আমি সম্পাদন কৰা বিভিন্ন কাৰ্যসূচীসমূহ হৈছে—

(১) কেন্দ্ৰৰ সজাগতা সভা ঃ এই বছৰ প্ৰধানকৈ ডিব্ৰুগড়ৰ বিভিন্ন অঞ্চল আৰু ধেমাজি জিলাত স্তন, মুখগহ্বৰ আৰু জৰায়ুগ্ৰীৱাৰ কেন্সাৰৰ মুঠ ৯ খন সজাগতা সভা অনুষ্ঠিত কৰা হয়। শেনচোৱা পুখুৰী হাইস্কুলত অনুষ্ঠিত হোৱা সজাগতা সভাত পোন প্ৰথমবাৰৰ বাবে ‘Self Breast Examination’ৰ প্ৰশিক্ষণ দিয়া হয়।

(২) ‘প্ৰতিশ্ৰুতি’ৰ ঘৰুৱা উপশমী সেৱা ঃ এই প্ৰকল্পৰ অধীনত এই বছৰ ৯০ জন ৰোগীক সামৰি লোৱা হৈছে। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, শিৱসাগৰ, লক্ষীমপুৰ জিলাৰ ৰোগীৰ প্ৰশিক্ষণ প্ৰাপ্ত চিকিৎসক, নাৰ্চ, সেচ্চাসেৱকৰ দ্বাৰা বিনামূলীয়াকৈ এই সেৱা আগবঢ়োৱা হৈছে। প্ৰয়োজন সাপেক্ষে ৰোগীক এয়াৰ মেচিন, হুইল চেয়াৰ, অক্সিজেন concentrator কলষ্টমি বেগ আদি দিয়াৰ উপৰিও খাদ্যাভাসৰ পৰামৰ্শ আগবঢ়োৱা হয়।

(৩) হেল্প লাইন ঃ **6001830079 / 6001688341** এই হেল্প লাইন নম্বৰত পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ ৰোগীসকলে ফোন কৰি নিজৰ নাম পঞ্জীয়ন কৰে। এই বছৰত ৮৭ জন অসমৰ বিভিন্ন ঠাইৰ ৰোগীয়ে নিজৰ নাম পঞ্জীয়ন কৰে।

(৪) ইন্টাৰ্নশ্বিপ ঃ ২০২১ চনৰ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা intership প্ৰগ্ৰেমত এই বছৰ ৮ জনে কেন্সাৰ বিষয়ত intership সমাপ্ত কৰিছে। ২০২১ চনৰ পৰা এই বছৰলৈ সৰ্বমুঠ ২৯ জনে সমাপ্ত কৰিলে।

(৫) প্ৰজেক্ট সন্তৱ ঃ এই প্ৰকল্পৰ অধীনত সেইসকল শিশুক সামৰি লোৱা হয় যাৰ উপাৰ্জনক্ষম পিতৃ বা মাতৃৰ কেন্সাৰত মৃত্যু হৈছে। এনে শিশুসকলৰ স্বাস্থ্য, শিক্ষা আৰু পৰিপুষ্টিৰ বাবে। ইতিমধ্যেই যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, ধেমাজিৰ শিশুক সামৰি লোৱা হৈছে। আমাৰ সন্মানীয় পাঁচ জনৰ ডাঃ গফৰ জামান চৰোৱান, স্থিতি ডেকা, মীৰা শৰ্মা, নিলাক্ষী বৰুৱা, সুদৰ্শনা দাস, অজন্তা ফাটোৱালীয়ে এইক্ষেত্ৰত সাহাৰ্য্য আগবঢ়াইছে।

(৬) প্ৰশিক্ষণ ঃ Psyclalogical Care & Communication ওপৰত এখন প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চলত উপশমী সেৱাৰ বাটকটীয়া তথা ‘প্ৰতিশ্ৰুতি’ৰ উপদেষ্টা ডাঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। ‘প্ৰতিশ্ৰুতি’ৰ ডিব্ৰুগড়, ধেমাজি আৰু শিৱসাগৰৰ ৪০ জন স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। আনহাতে ‘প্ৰতিশ্ৰুতি’ৰ চাৰিজন সদস্যই দিল্লীত অনুষ্ঠিত হোৱা Patient Advocates for Clinical Research Education and Regulatory Frame Work (PACER) কৰ্মশালাত অংশগ্ৰহণ কৰে।

(৭) বিশ্ব ‘চিএমএল’ দিৱস ঃ বিগত বৰ্ষত এএমচিএইছ কৰ্তৃপক্ষক চিএমএল ৰোগীৰ মলিকুলাৰ পৰীক্ষাৰ বাবে আমাৰ দ্বাৰা ৩,৮৭,৭৮৬ টকাৰ সাহাৰ্য প্ৰদান কৰা হৈছিল। ইয়াৰ দ্বাৰা ৫০ গৰাকী ৰোগীৰ বাবে বিনামূলীয়াকৈ তেজৰ বিচিআৰ-এবিএল টেষ্টাৰ বাবে সুবিধা প্ৰদান কৰা হৈছিল। ইয়াৰ দ্বাৰা উপকৃত হোৱা ৰোগীসকলক লৈ এএমচিএইছ কৰ্তৃপক্ষৰ মেডিচিন বিভাগ, মলিকুলাৰ হেমাট'লজি গ্ৰুপৰ যৌথ উদ্যোগত আৰু ‘প্ৰতিশ্ৰুতি’ৰ সহযোগত ২২ ছেপ্টেম্বৰত বিশ্ব ‘চিএমএল’ দিৱসৰ আয়োজন কৰাৰ লগতে ৰোগীৰ তেজ পৰীক্ষা কৰি যাৱতীয় পৰামৰ্শ প্ৰদান কৰা হয়।

(৮) বাৰ্ষিক সভা ঃ এই বৰ্ষত ‘প্ৰতিশ্ৰুতি’ৰ দুখন কাৰ্যনিৰ্বাহক সভা আৰু তিনিখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়।

## ধেমাজি জিলাত ‘প্ৰতিশ্ৰুতি’ৰ কাম-কাজৰ চমু আলোকপাত

**লাৱণ্য লাহন চুতীয়া, ধেমাজি ঃ** ধেমাজি জিলাত ‘প্ৰতিশ্ৰুতি’ৰ এক টীমৰ জৰিয়তে কাম-কাজ অব্যাহত ৰখা হৈছে। এই অনুসৰি বিগত বৰ্ষত ধেমাজিৰ হাতীগড় স্বাস্থ্য উপকেন্দ্ৰত কেন্সাৰ সজাগতা বিষয়ত এখনি সভা অনুষ্ঠিত হয়। ‘প্ৰতিশ্ৰুতি’ৰ ধেমাজি টীমৰ স্বেচ্ছাসেৱী সদস্যসকলৰ দ্বাৰা আয়োজিত সভাত প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্টৰ অবৈতনিক সঞ্চালক ডাঃ গায়ত্ৰী গগৈয়ে বিষয়বস্তুৰ সম্পৰ্কে বক্তব্য আগবঢ়াই কয় যে এই দুৰাৰোগ্য কেন্সাৰে ৰোগৰ ক্ষেত্ৰত সজাগতাৰ অতি প্ৰয়োজন। বিশেষকৈ স্তন কেন্সাৰৰ ক্ষেত্ৰত মহিলাসকল নিজেই সাৱধান হোৱা উচিত। তেখেতে screening পৰীক্ষা মতে পেলিয়েটিভ কেয়াৰৰ গুৰুত্বৰ বিষয়েও বিতংভাৱে বক্তব্য আগবঢ়ায়। সভাত ধেমাজি জিলা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়া ‘প্ৰতিশ্ৰুতি’ৰ সক্ৰিয় সদস্য দেৱ কাকতিয়ে বক্তব্য আগবঢ়ায়। ধেমাজিৰ দুগৰাকী কেন্সাৰ ৰোগীৰ অভিভাৱকেও সভাত অংশগ্ৰহণ কৰি ডাঃ গগৈৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত কমিউনিটি হেলথ্ অফিচাৰ এলিনা ৰাজবংশী প্ৰমুখ্যে আশা ছুপাৰভাইজাৰ পল্লবী গগৈ, কেইবাগৰাকী নাৰ্চ, শান্তিপাৰাৰ ৰৰ্কাৰ, আশাকৰ্মী আৰু কেইবাগৰাকী হিতাধিকাৰী উপস্থিত থাকে। সভাখনিৰ আঁত ধৰে ধেমাজিৰ ‘প্ৰতিশ্ৰুতি’ৰ সদস্যা (স্বেচ্ছাসেৱক) শেৱালি চেতিয়া গোহাঁই আৰু লাৱণ্য লাহন চুতীয়াই। সভাৰ অন্তত সদস্যা পিংকুমণিয়ে উপস্থিত সকলো সদস্যৰে ‘চুগাৰ টেষ্ট’ কৰি স্বাস্থ্যৰ প্ৰাথমিক বুজ লয়। উক্ত দিনাই এগৰাকী কেন্সাৰ ৰোগীৰ ঘৰলৈ গৈ ৰোগীগৰাকীৰ স্বাস্থ্য সম্বন্ধীয় খবৰ লোৱা হয়।

আনহাতে ‘প্ৰতিশ্ৰুতি’ৰ উদ্যোগত আৰু ধেমাজি জিলা স্বাস্থ্য সমাজৰ সহযোগত চলিত বৰ্ষৰ ৪ ফেব্ৰুৱাৰীত বিশ্ব কৰ্কট দিৱস উদ্‌যাপন কৰা হয়। দিৱস উপলক্ষ্যে ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত জিলাখনৰ তিনি শতাধিক আশাকৰ্মী, এ. এন. এম, অংগনবাড়ী কৰ্মীৰ উপস্থিতিত আয়োজন কৰা সভাত মুখ্য অতিথি হিচাপে বিশিষ্ট অভিনেত্ৰী তথা প্ৰতিশ্ৰুতিৰ ‘ছেভ লাইফ ব্ৰেণ্ড এম্বেছেডৰ’ বৰষাৰাণী বিষয়া আৰু বিশিষ্ট কণ্ঠশিল্পী জীনা ৰাজকুমাৰীয়ে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। ‘প্ৰতিশ্ৰুতি’ৰ যুটীয়া সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকা আৰু ধেমাজি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা লাৱণ্য লাহন চুতীয়াই আঁত ধৰা এই সভাত আদৰণী ভাষণ প্ৰদান কৰে ‘প্ৰতিশ্ৰুতি’ৰ উপসভাপতি দীপালি শইকীয়াই। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় এ. এম. চি. এইচৰ পেথ'লজি বিভাগৰ সহযোগী অধ্যাপক তথা কৰ্কট ৰোগৰ বিশিষ্ট গৱেষক ডাঃ গায়ত্ৰী গগৈ আৰু ধেমাজি জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ সৌৰভ গগৈয়ে। সভাত ধেমাজি অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ বিনোদ বৰা আৰু ‘প্ৰতিশ্ৰুতি’ৰ উপশমী চিকিৎসাৰ আহ্বায়ক ডাঃ জি. এছ. বৰগোহাঁয়েও মূল্যবান বক্তব্য আগবঢ়ায়। জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত সহকাৰী আয়ুক্ত ত্ৰিলিনা টাইড উপস্থিত থাকি ‘প্ৰতিশ্ৰুতি’ৰ এই উদ্যোগৰ শলাগ লোৱা লগতে এনে কামত সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। উক্ত অনুষ্ঠানতে সংগঠনটোৰ তৰফৰ পৰা এ. এম. চি. এইচৰ শিশুৰোগ বিভাগৰ সহযোগী অধ্যাপক ডাঃ জলি ৰাভাক ‘প্ৰতিশ্ৰুতি অংকল'জি কনছালটেণ্ট এৱাৰ্ড’ আৰু বিশিষ্ট কণ্ঠশিল্পী জিনা ৰাজকুমাৰীক ‘প্ৰতিশ্ৰুতি যোদ্ধা’ বঁটা প্ৰদান কৰা হয়। ‘প্ৰতিশ্ৰুতি’ৰ সদস্যা শেৱালি চেতিয়া বৰগোহাঁয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত বিগত বৰ্ষত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা ধেমাজিৰ উমাকান্ত সোনোৱালৰ পত্নী পিংকুমণি সোনোৱালৰ পুত্ৰৰ বাবে বৰষাৰাণী বিষয়াই পাঁচ হেজাৰ টকা, অংগনবাড়ী সহায়িকা বৰ্ণালী দত্ত ডেকা আৰু এ. এন. এম ৰিজুমণি গগৈয়ে গাইপতি দুহেজাৰ টকাকৈ নগদ ধন আগবঢ়ায়। এই অনুষ্ঠানতে ডিব্ৰুগড়ৰ অৱসৰপ্ৰাপ্ত কোষাগাৰ কৰ্মচাৰী শক্তি ভট্টাচাৰ্যই পিতৃৰ সোঁৱৰণত কৰ্কট ৰোগীৰ সেৱাৰ্থে নগদ বিশ হাজাৰ টকাৰ আৰ্থিক সাহাৰ্য ‘প্ৰতিশ্ৰুতি’ক প্ৰদান কৰে। অনুষ্ঠানত ‘প্ৰতিশ্ৰুতি’ৰ সম্পাদক পান্না ভৰালীসহ সংগঠনটিৰ মুঠ ত্ৰিশজনীয়া দলে অংশগ্ৰহণ কৰাৰ লগতে ধেমাজিৰ স্বাস্থ্য বিভাগৰ কেইবাগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। ●